*Approved by the Text Book Committee*

# ব্যাকৰণ পাঠ।

## প্ৰথম ভাগ।

[অসমীয়া স্কুলৰ ৫ম মান ; ইংৰাজী স্কুলৰ ৪র্থ মানৰ বাবে]

ৰচক—

শ্ৰীহৰিনাৰায়ণ দত্ত বৰুৱা।

All rights reserved 1918 A. S.

দেচ ।০ অনা।

All rights reserved 468 A. S.

# ব্যাকৰণ পাঠ।

## প্ৰথম ভাগ।

[ [illegible] স্কুলৰ ৫ম মান ; ছোৱালী স্কুলৰ ৪ৰ্থ, ৫ম আৰু ৬ষ্ঠ মান ;
ইংৰাজী স্কুলৰ ৪ৰ্থ আৰু ৫ম মানৰ বাবে। ]

শ্ৰীহৰিনাৰায়ণ দত্ত বৰুৱাৰ দ্বাৰা
লিখা।

তৃতীয় সংস্কৰণ।

গুৱাহাটী, দীঘলী পুখুৰী।
বৰুৱা এজেন্সীৰ
শ্ৰীগোপীকান্ত বৰুৱাৰ দ্বাৰা
প্ৰকাশিত।

বেচ ।০ অনা।

৪১৫৮/অ:

গুৱাহাটী আৰ্ট প্ৰেছত
শ্ৰীপ্ৰতাপ চন্দ্ৰ তালুকদাৰৰ দ্বাৰা মুদ্ৰিত ।
১৩৩০

## শিক্ষকসকললৈ অনুৰোধ।

১। এই সৰু ব্যাকৰণখনি সৰু লৰা-ছোৱালীৰ উপযোগী কৰিবলৈ যথেষ্ট যত্ন কৰা হৈছে; আৰু সেই উদ্দেশ্যেই ইয়াত ব্যাকৰণৰ কঠিন বিষয়বোৰ নুতুলি যিখিনি আৱশ্যকীয় অথচ সহজ তাকেহে দিয়া হৈছে। কৃৎ, তদ্ধিত, সমাস, ছন্দঃ প্ৰভৃতি যদিও ব্যাকৰণৰ বিষয়, সেইবোৰ কোমল লৰা-ছোৱালীৰ পক্ষে অতি টান, আৰু ব্যাকৰণৰ মূল বিষয়টো বুজাবৰ কাৰণে তিমান আৱশ্যকীয়ও নহয়, সেই কাৰণে সেইবোৰ এই পুথিত আলোচনা কৰিবলৈ ঠাই কৰা নাই।

২। গোটাই ব্যাকৰণখনিক চাৰিটা অধ্যায় আৰু ৩৫টা পাঠত ভাগ কৰা হৈছে। অধ্যায় চাৰিটাৰ প্ৰতি লক্ষ্য কৰিলেই এইদৰে ভাগ কৰাৰ সাৰ্থকতা বুজা যাব। পাঠ ৩৫টাৰ সম্বন্ধে যি ভাগ দিয়া হল সি সৰ্ব্বসাধাৰণ স্কুলৰ উপযোগী হব বুলি আশা কৰা যায়। কিন্তু শিক্ষক মহোদয়ে নিজৰ সুবিধা অনুসৰি পাঠ-বিভাগৰ লৰচৰ কৰি ললেও একো হানি নহব।

৩। মাজে মাজে যিবোৰ প্ৰশ্ন দিয়া হল, সেই অনুসাৰে আৰু অনেক প্ৰশ্ন আৰু উদাহৰণ দি শিকাবলৈ যত্ন কৰিলে

লৰা-ছোৱালীয়ে সহজতে বুজিব পাৰিব বুলি আশা কৰা যায়।

৪। ভুল-প্ৰমাদ বা আন বিষয়ে শিক্ষকসকলে কিবা উপদেশ দিব খুজিলে সি অতি সাদৰে গ্ৰহণীয় হব। ইতি।

১লা বহাগ
১৮৩৯ শক।
৭৮
১৯১৭

বিনীত
গ্ৰন্থকাৰ।

সাহিত্য সভা
নং

# ব্যাকৰণ পাঠ।

## ১ম অধ্যায়।

### ১ম পাঠ— ভাষা।

১। মন, মাটি, মানুহ, মানিকী, মাৰিছিল, ধৰোঁতে, থকা, আৰু ইত্যাদি শব্দবোৰে আমাৰ মনত এটা এটা বেলেগ ভাব বুজায়, কিন্তু এইবোৰৰ কোনো এটায়েই মনৰ সম্পূৰ্ণ ভাব বুজাব নোৱাৰে। সেইদৰে মই ভাত, বহোঁতেই, খাই টোপনি, মোৰ আহিল, গছৰ ওপৰত, এটা পৰিছে, চৰাই ধুনীয়া, এইদৰে যেনে তেনে প্ৰকাৰে শব্দ কলেও কোনো সম্পূৰ্ণ মনৰ ভাব নোলায়। কিন্তু যদি কোৱা যায় মই ভাত খাই বহোঁতেই মোৰ টোপনি আহিল;

লৰা-ছোৱালীয়ে সহজতে বুজিব পাৰিব বুলি আশা কৰা যায়।

৪। ভুল-প্ৰমাদ বা আন বিষয়ে শিক্ষকসকলে কিম্বা উপদেশ দিব খুজিলে সি অতি সাদৰে গ্ৰহণীয় হব। ইতি।

১লা বহাগ
১৮৩৯ শক।

বিনীত
গ্ৰন্থকাৰ।

সাহিত্য সভা
৭/৪/৫৭ নং ৩৫২

# ব্যাকৰণ পাঠ।

## ১ম অধ্যায়।

### ১ম পাঠ— ভাষা।

১। মন, মাটি, মানুহ, মানিকী, মাৰিছিল, ধৰোঁতে, থকা, আৰু ইত্যাদি শব্দবোৰে আমাৰ মনত এটা এটা বেলেগ ভাব বুজায়, কিন্তু এইবোৰৰ কোনো এটায়েই মনৰ সম্পূৰ্ণ ভাব বুজাব নোৱাৰে। সেইদৰে মই ভাত, বহোঁতেই, খাই টোপনি, মোৰ আহিল, গছৰ ওপৰত, এটা পৰিছে, চৰাই ধুনীয়া, এইদৰে যেনে তেনে প্ৰকাৰে শব্দ কলেও কোনো সম্পূৰ্ণ মনৰ ভাব নোলায়। কিন্তু যদি কোৱা যায় মই ভাত খাই বহোঁতেই মোৰ টোপনি আহিল;

গছৰ ওপৰত এটা ধুনীয়া চৰাই পৰিছে; তেনেহলে এটা সম্পূৰ্ণ অৰ্থ ওলাব। এইদৰে দেখা যায় যে, কোনো এটা মনৰ ভাব আনক বুজাবলৈ হলে শব্দবোৰ কোনো বিশেষৰূপে বহুৱাব লাগে। এইদৰে মনৰ কোনো ভাব প্ৰকাশৰ কাৰণে শব্দবোৰক বিশেষ-ৰূপে বহুৱালেই সি **কথা** বা **বাক্য** হয়।

২। মানুহে যিবিলাক শব্দ যি ধৰণে কৈ মনৰ ভাব সম্পূৰ্ণৰূপে প্ৰকাশ কৰে, তাকে **ভাষাও** বোলে। এই ভাষা দেশ আৰু জাতি ভেদে বেলেগ বেলেগ; আমি অসমীয়া মানুহ, আমাৰ ভাষাক **অসমীয়া ভাষা** বোলে। এই ৰকমে বঙ্গালী, পাৰ্চী ইংৰাজী আদি পৃথি-বীত বহুত প্ৰকাৰৰ ভাষা আছে।

৩। প্ৰায় সকলো জাতিৰ ভাষা দুবিধ— কোৱা আৰু লিখা। কোৱা অসমীয়া ভাষা সকলো ঠাইতে তেনে নিমিলে। কিন্তু লিখা ভাষা সকলোতে একে। এতেকে লিখা ভাষাই **সাধাৰণ ভাষা**, ইয়াকে **সাধু ভাষাও** বোলে।

৪। ভৰতৰ প্ৰায় সকলো ভাষাই সংস্কৃতৰ পৰা ওলোৱা; আমাৰ ভাষাৰ জননীও সংস্কৃতেই।

৫। ভাষা শুদ্ধকৈ লিখিবলৈ আৰু পঢ়িবলৈ পণ্ডিতসকলে কিছুমান নিয়ম বান্ধি লৈছে; ব্যাকৰণ পাঠত তাকে মাথোন আলচ কৰে। যি পুথিৰ পৰা আমাৰ অসমীয়া ভাষা শুদ্ধৰূপে লিখিবৰ আৰু পঢ়িবৰ নিয়মবোৰ জনা যায়, তাকেই **অসমীয়া ব্যাকৰণ** বোলে।

### প্ৰশ্ন।

১। ভাষা কাক বোলে?
২। পৃথিবীত ভাষা কিমান বিধ?
৩। চৰাইৰ বাৰুক ভাষা বুলিবা নে?
৪। ব্যাকৰণ আমাক কিয় লাগে?
৫। অসমীয়া ব্যাকৰণ কাক বোলে?

—•:※:•—

## ২য় পাঠ— আখৰ।

১। শব্দৰ কথা আমি আগত উল্লেখ কৰি আহিছোঁ। এই শব্দৰ নিচেই সৰু সৰু ভাগবোৰেই আখৰ বা বৰ্ণ। যেনে— 'হৰি' এই এটা শব্দ; ইয়াৰ 'হ' আৰু 'ৰি' এই দুটা ভাগ। 'হ' আৰু 'ৰি'ক আকৌ ভাগ কৰিব পাৰি; যেনে— হ্, অ, ৰ্, ই। কিন্তু ইয়াৰ পাচত ইহঁতক আৰু ভগাব নোৱাৰি, গতিকে 'হৰি' শব্দৰ এই কেইটাই নিচেই সৰু সৰু ভাগ। এতেকে হ্, অ, ৰ্, ই, ইহঁত গাইপতি একোটা আখৰ।

২। আমাৰ অসমীয়া ভাষাত ৪৭ টা আখৰ আছে আৰু ইহঁত দুভাগ— **স্বৰ** আৰু **ব্যঞ্জন**।

৩। 'অ-ফলা'ৰ আখৰবোৰ * আপোনা-আপুনি উচ্চাৰণ হয়। ইহঁতক স্বৰবৰ্ণ বোলে।

৪। 'ক-ফলা'ৰ † আখৰবোৰ স্বৰৰ সহায় নহলে মাতিব নোৱাৰি। ইহঁতক ব্যঞ্জন বৰ্ণ বোলে।

---

* ঌ, ৡ অসমীয়াত ব্যৱহাৰ নাই।

† 'ক্ষ' যুক্তাক্ষৰ হে, ই ক-ফলাৰ ভিতৰত নপৰে।

## প্ৰশ্ন।

১। আখৰ কাক বোলে ?
২। অসমীয়া ভাষাত আখৰ কিমান ?
৩। আখৰবোৰ কেই ভাগ ?
৪। স্বৰবৰ্ণ কাক বোলে আৰু কেইটা ?
৫। ব্যঞ্জনবৰ্ণ কিমান ? নাম কোৱা।

# ৩য় আৰু ৪র্থ পাঠ— পদ।

১। **ধনী আৰু গোপালে ভাল মাছ ধৰিছে,**— এই আমাৰ কথা ; এই কথা বা বাক্যত ব্যৱহাৰ কৰা ধনী, আৰু, গোপাল, ভাল, মাছ, ধৰিছে এই ছটা তাৰ ভিতৰত থকা শব্দ। এই আটাই কেইটা একে ৰকমৰ নে ? 'ধনী' শব্দে যি বুজাইছে 'আৰু' শব্দে তাকে বুজাইছে নে ? 'ভাল' শব্দ কোৱাত যি বুজা যায়, 'মাছ' বা 'ধৰিছে' শব্দ কোৱাত তাকে বুজিব পাৰি নে ? সেইদৰে **ৰামে ধেমালি কৰিছে,** ইয়াত 'ৰাম' 'ধেমালি' আৰু 'কৰিছে' শব্দে গাইপতি বেলেগ বেলেগ অৰ্থ বুজায়।

২। এইদৰে কথা আমাৰ কওঁতে আমি যিমান শব্দ কওঁ সেইবোৰ প্ৰায় বেলেগ বেলেগ বিধৰ। বেলেগ বেলেগ বিধৰ হলেও আমি কোৱা প্ৰায় কথাবোৰক পাঁচোটা ভাগত পেলাব পাৰি। ব্যাকৰণ জনা পণ্ডিত সকলে এই পাঁচ ভাগক নাম দিছে :—

বিশেষ্য, বিশেষণ, সৰ্ব্বনাম, অব্যয়,

আৰু ক্রিয়া। এই ভাগবোৰকেই সাধাৰণতে পদ বোলে।

৩। সুতৰাং পদ **পাঁচ বিধ**— বিশেষ্য বিশেষণ, সৰ্ব্বনাম, অব্যয় আৰু ক্রিয়া।

(ক) 'ৰাম' হৰি, টকা, মাটি ইত্যাদি বস্তুৰ **নাম** বুজোৱা শব্দক **বিশেষ্য** বোলা যায়।

(খ) ভাল, বেয়া, টেঙা, ৰঙা, ইত্যাদি বস্তুৰ **গুণ** বুজোৱা শব্দক **বিশেষণ** বোলে।

(গ) মই, সি, সেইটো প্রভৃতি কিছুমান শব্দ আছে, সি বিশেষ্যৰ সলনি বহে, সেইবোৰ **সৰ্ব্বনাম**।

(ঘ) আৰু, কিন্তু, পুনঃ আদি কৰি যিবোৰ শব্দ বাক্যৰ মাজত বহে সেইবোৰক **অব্যয়** বোলে।

(ঙ) কৰিছে, খালোঁ, গল ইত্যাদি কোনো **কাম কৰা বুজোৱা** শব্দবোৰক **ক্রিয়া** বোলে।

প্রশ্ন।

১। বাক্য কাক বোলে ?

২। পদ বুলিলে কি বুজায় ?

৩। পদ কেই প্রকাৰ আৰু কি কি ?

৪। 'ৰাম আৰু লক্ষ্মণ বনলৈ গৈ তেওঁ-

বিলাকে পঞ্চবটী বনৰ ভাল ঠাইত পঁজা সাজি থাকিল গৈ।'

ইয়াত ভিন ভিন পদবোৰ বাছি উলিওৱা।

—০:০:০—

## ৫ম পাঠ— বিশেষ্য।

১। (ক) মানুহৰ নাম— গোপাল, মধু, দীন, কৃষ্ণ, ধনীৰাম ইত্যাদি।

(খ) বস্তুৰ নাম {
বহা আসন— কঠ, চকি, টুল, বেঞ্চ, চাং, ঢাৰি, ইত্যাদি।
লোৱা কাপোৰ— খনিয়া, চাদৰ, চোলা, চুৰিয়া, গামোচা ইত্যাদি।
খোৱা আহাৰ— চিৰা, পিঠা, আখৈ, গাখীৰ, ভাত, মাছ ইত্যাদি।
বাৰীৰ বস্তু—আম, কঁঠাল, কৰ্দ্দৈ, মুম-থিৰা, পনিয়ল ইত্যাদি।
}

(গ) জাতিৰ নাম— মানুহ, গৰু, ছাগলি, হিন্দু, মুছলমান, বামুণ ইত্যাদি।

আমি কথা কওঁতে সচৰাচৰ নাম বুজোৱা এই নিচিনা শব্দবোৰ কওঁ— এই নাম বুজোৱা শব্দবোৰ **বিশেষ্য পদৰ ভিতৰত পৰে।**

(ঘ) মৰমেৰে সকলোকে বশ কৰিব পাৰি। এই কথাষাৰৰ ভিতৰত থকা ‘মৰমে’ অন্তৰৰ এটা গুণৰ নাম বুজাইছে। ব্যৱহাৰত ভদ্ৰতা ভলাই পৰে, এই বাক্যত থকা ‘ভদ্ৰতা’য়ো এটা গুণৰ নাম বুজাইছে।

বিনয় সাধুলোকৰ অলঙ্কাৰ, ইয়াতো বিনয় শব্দে এটা গুণলৈ আঙুলিয়াইছে। এই গুণৰ নাম বুজোৱা শব্দবোৰকো বিশেষ্য পদ বোলে।

(ঙ) বৰ সবাহলৈ যাবা; লোকৰ দিয়ন থোয়ন চাবা; ইয়াত ‘দিয়ন-থোয়নে’ দিয়া থোৱা কামৰ নাম বুজাইছে। সোনকালে শোৱন আৰু সোনকালে উঠন, এই বাক্যত থকা ‘শোৱন’ আৰু ‘উঠনে’ শোৱা আৰু উঠা কামৰ নাম বুজাইছে। তেওঁৰ শয়ন হল নে[illegible]াত ‘শয়ন’ শব্দে শোৱা কামৰ নাম বুজাইছে। এইদৰে কামৰ নাম বুজোৱা পদকো বিশেষ্য পদ বোলে।

২। এতিয়া বিশেষ্য পদ কাক বোলে আমি গমি

চাওঁচোন— যি পদে মানুহ, বস্তু, জাতি, গুণ আৰু কামৰ ( ক্ৰিয়াৰ ) নাম বুজায় তাকে বিশেষ্য পদ বোলে।

৩। আমি ওপৰত বিশেষ্য পদৰ যি আলোচনা কৰিলোঁ তাৰ পৰা বুজিব পাৰোঁ, ই পাঁচবিধ ঃ—

(১) মানুহৰ নাম বুজোৱা বা ব্যক্তিবাচক বিশেষ্য।
(২) বস্তুৰ নাম বুজোৱা বা বস্তু বাচক বিশেষ্য।
(৩) জাতিৰ নাম বুজোৱা বা জাতি বাচক বিশেষ্য।
(৪) গুণৰ নাম বুজোৱা বা গুণ বাচক বিশেষ্য।
(৫) ক্ৰিয়াৰ নাম বুজোৱা বা ক্ৰিয়া বাচক বিশেষ্য।

প্ৰশ্ন।

১। তলত লিখা বাক্যবোৰত থকা বিশেষ্য পদবোৰ বাছি উলিওৱা ঃ—

(ক) ৰামে গৰু এটা কিনিলে।
(খ) তেওঁৰ দস্তালী সহিব নোৱাৰি।
(গ) মধুৰ ভোজন হল নে ?
(ঘ) ৰজাৰ আগমনত প্ৰজাৰ আনন্দ লাগিছিল।

২। বিশেষ্য পদ কাক বোলে আৰু সি কেই প্ৰকাৰ ?

৩। বস্তুবাচক বিশেষ্য পদ কাক বোলে ? তাৰ কেইটামান উদাহৰণ দিয়া ।

৪। তলত দিয়া বিশেষ্য পদবোৰ লগাই একো আষাৰ কথা কোৱা :— কিতাপ, লো, তৰা, পদ্ম, নাৰিকল, শ্ৰৱন, বিছনা, সাধুতা, গাখীৰ, আৰু গমন ।

—০:*:০—

## ৬ষ্ঠ পাঠ বিশেষণ।

১। হৰিয়ে পিতাকক কলে, "পিতাদেউ, যাদৰে গাখীৰ পেলালে।" তাকে শুনি পিতাকে সুধিলে "কিমান ?" হৰিয়ে উত্তৰ দিলে "**বহুতো**"।

গোপালে দোকানীক কলে— "মোক এটা লাটুম দিয়া।" দোকানীয়ে সুধিলে— "কেনেকুৱা ?" গোপালে লাটুমবোৰ চাই চিন্তি কলে— "মোক **ৰঙা** লাটুমটো লাগে।"

দুলালৰ মাকে তেওঁক এখন পিঠা দিলত তেওঁ কেঁকুৰি কেঁকুৰি কলে— "মোক **দেৱা** পিঠা নালাগে, **ভাল** এখন দে।"

এতিয়া আমি ওপৰত কোৱা কথাবোৰ অলপ গমি চালে দেখিম 'বহুত' শব্দে পৰা গাখীৰৰ পৰিমাণ, 'ৰঙা' শব্দে লাটুমৰ ৰূপ আৰু 'দেৱা' আৰু 'ভাল' শব্দে পিঠাৰ অৱস্থা বিশেষকৈ দেখুৱাইছে। 'বহুত' শব্দ নকলে কিমান গাখীৰ পেলালে নাজানে, 'ৰঙা' শব্দেৰে চিন নকৰিলে কি ৰঙৰ লাটুম লাগে

দোকানীয়ে কব নোৱাৰে; আৰু তুলালে 'দেৱা' আৰু 'ভাল' শব্দ নকলে দেৱা পিঠা নাখাই আন পিঠা খোজাৰ কাৰণ নুবুজে।

২। ওপৰত কোৱা বস্তুক বিশেষকৈ বুজোৱা অৰ্থাৎ বস্তুৰ পৰিমাণ, ৰূপ আৰু গুণ বা দোষ বুজোৱা পদক বিশেষণ পদ বোলে।

৩। এই বিশেষণ শব্দ মোটা-মুটিকৈ তিনি বিধ দেখা যায়:—

(ক) কাকো টান কথা নকবা, ইয়াত টান শব্দে 'কথা'ৰ অৱস্থা বুজাইছে; 'কথা' বিশেষ্য পদ, এতেকে 'টান'ক বিশেষ্যৰ বিশেষণ বোলে।

(খ) 'অতি ডাঙৰ কথা কলে ঘাটি খায়'; ইয়াত ডাঙৰ শব্দে কথাক বিশেষ কৰিছে [illegible] ডাঙৰ শব্দক আকৌ 'অতি' শব্দে বিশেষকৈ বুজাইছে; 'অতি'ৰ নিচিনা বিশেষণক বিশেষকৈ বুজোৱা পদক বিশেষণীয় বিশেষণ বোলে।

(গ) ইয়াৰ উপৰিও ক্ৰিয়া বিশেষণ বুলি আৰু এবিধ বিশেষণ আছে, তাৰ কথা পাচত পঢ়িবলৈ পাবা।

## প্ৰশ্ন ।

১। তলত লিখা বাক্যবোৰৰ পৰা বিশেষণবোৰ বাছি উলিওৱা—

(ক) মিঠামুখীয়া মানুহ সকলোৰে প্ৰিয়পাত্ৰ ।

(খ) বৰ তিতা-কেঁহা বস্তু খাবলৈ ভাল নহয় ।

(গ) ৰাম ভয়ানক চোৰ ।

(ঘ) ধনীহঁতৰ দুটা ঘোঁৰা হেৰাল ।

(ঙ) মোৰ নতুন চকিখন বেয়া ।

২। বিশেষণ কেই বিধ ?

৩। বিশেষণীয় বিশেষণ কাক বোলে ?

৪। কেনে পদক বিশেষণ পদ বোলে ?

৫। তলত লিখা বিশেষণ পদবোৰ লগাই একো আষাৰ কথা কোৱা ঃ— খেমেলীয়া, দুষ্ট, পেটুৱা, পনীয়া, ওখ, ফটা, দহমুনীয়া, আৰু ধনী ।

—০ঃ০ঃ০—

দোকানীয়ে কব নোৱাৰে; আৰু তুলালে 'দেৱা' আৰু 'ভাল' শব্দ নকলে দেৱা পিঠা নাখাই আন পিঠা খোজাৰ কাৰণ নুবুজে।

২। ওপৰত কোৱা **বস্তুক বিশেষকৈ বুজোৱা অৰ্থাৎ বস্তুৰ পৰিমাণ, ৰূপ আৰু গুণ বা দোষ বুজোৱা পদক বিশেষণ পদ বোলে।**

৩ এই বিশেষণ শব্দ মোটা-মুটিকৈ তিনি বিধ দেখা যায়ঃ—

(ক) কাকো **টান** কথা নকবা, ইয়াত টান শব্দে 'কথা'ৰ অৱস্থা বুজাইছে; 'কথা' বিশেষ্য পদ, এতেকে 'টান'ক **বিশেষ্যৰ বিশেষণ** বোলে।

(খ) '**অতি** ডাঙৰ কথা কলে ঘাটি খায়'; ইয়াত ডাঙৰ শব্দে কথাক বিশেষ কৰিছে আৰু ডাঙৰ শব্দক আকৌ 'অতি' শব্দে বিশেষকৈ বুজাইছে; 'অতি'ৰ নিচিনা **বিশেষণক বিশেষকৈ বুজোৱা পদক বিশেষণীয় বিশেষণ বোলে।**

(গ) ইয়াৰ উপৰিও **ক্ৰিয়া বিশেষণ** বুলি আৰু এবিধ বিশেষণ আছে, তাৰ কথা পাচত পঢ়িবলৈ পাবা।

প্ৰশ্ন ।

১। তলত লিখা বাক্যবোৰৰ পৰা বিশেষণবোৰ বাছি উলিওৱা—

(ক) মিঠামুখীয়া মানুহ সকলোৰে প্ৰিয়পাত্ৰ ।

(খ) বৰ তিতা-কেঁহা বস্তু খাবলৈ ভাল নহয় ।

(গ) ৰাম ভয়ানক চোৰ ।

(ঘ) ধনীইঁতৰ দুটা ঘোঁৰা হেৰাল ।

(ঙ) মোৰ নতুন চকিখন বেয়া ।

২। বিশেষণ কেই বিধ ?

৩। বিশেষণীয় বিশেষণ কাক বোলে ?

৪। কেনে পদক বিশেষণ পদ বোলে ?

৫। তলত লিখা বিশেষণ পদবোৰ লগাই একো আষাৰ কথা কোৱা ঃ— ধেমেলীয়া, দুষ্ট, পেটুৱা, পনীয়া, ওখ, ফটা, দহমুনীয়া, আৰু ধনী ।

—০ঃ০ঃ০—

## ৭ম পাঠ সৰ্ব্বনাম।

১। আমি 'ৰামে ৰামৰ ভনীয়েকক মৰম কৰে' এইদৰে নকৈ 'ৰামে তেওঁৰ ভনীয়েকক মৰম কৰে' এইদৰে কওঁ।

'ধনী আহিল কিন্তু ধনীয়ে কামটো নকৰিলে নকৈ আমি কওঁ— ধনী আহিল কিন্তু সি কামটো নকৰিলে।'

এইদৰে বিশেষ্য শব্দ বেলিয়ে পতি ব্যৱহাৰ কৰিলে বেয়া শুনি দেখি আমি তাৰ সলনি আন শব্দ বহুৱাই কথা সুৰলা কৰোঁ। এই নিচিনা **বিশেষ্যৰ সলনি ব্যৱহাৰ কৰা শব্দক সৰ্ব্বনাম বোলে।**

২। তলৰ কথাখিনি পঢ়িলে সৰ্ব্বনামৰ আৱশ্যক আৰু বুজিবা :—

(১) ধনী এই পিনে গল, তাক মাতিলোঁ সি মাতকে নিদিলে।

(২) মই এটা বজাত আহিছিলোঁ, সি তেতিয়া নাই।

(৩) আমাৰ ঘৰৰ মাণিক মাতিব লাগিব ; আজি খাবলৈ ৰবিকো মাতিবা ।

আমি ঘৰত বহি আছিলোঁ । আমাৰ মাজত সেইজন ল'ৰাই বাকচত কাপোৰ বিচাৰিলে;

ভাত বোলে নাই ।

(৪) 'পৃথিৱী সূৰ্য্যৰ চাৰিওফালে ঘূৰে' বুলি কলোঁ, তাকে শুনি হৰিয়ে হাঁহিলে ।

এতিয়া কোৱাচোন, যদি আমি ধনীৰ সলনি 'তাক আৰু 'সি' ব্যৱহাৰ নকৰোঁ, এটা বজাৰ সলনি 'তেতিয়া' ব্যৱহাৰ নকৰোঁ, বাকচৰ সলনি 'তাত' নকওঁ আৰু 'পৃথিৱী সূৰ্য্যৰ চাৰিওফালে ঘূৰে'ৰ সলনি 'তাক' শব্দ ব্যৱহাৰ নকৰোঁ, তেনেহলে কথাবোৰ শুনিবলৈ কেনে কঠুৱা হয় ?

ওপৰত দিয়া উদাহৰণ কেইটাকেই অলপ গমি চালে আমি বুজিব পাৰোঁ— সৰ্ব্বনাম শব্দ মানুহৰ সলনি, সময়ৰ সলনি, ঠাইৰ সলনি আৰু বাক্যৰ সলনি ব্যৱহাৰ হয় ।

৩। ইয়াৰ উপৰিও কিছুমান সৰ্ব্বনাম শব্দ বিশেষ্যৰ আগত ব্যৱহাৰ হয় ; সেইবোৰক বিশেষণ সৰ্ব্বনাম পদ বোলে । যেনে :—

(ক) কোন মানুহ আহিছিল ।

(খ) সেই কথা কোৱাত মোৰ খং উঠিল ।

(গ) এইবোৰ কথা নকবা ।

(ঘ) তেনে কামত বিপদ আছেই।

ওপৰৰ বাক্যবোৰত ব্যৱহাৰ হোৱা 'কোনে', 'সেই', 'এইবোৰ' আৰু 'তেনে' এইবোৰ বিশেষণ সৰ্ব্বনাম। বিশেষণ সৰ্ব্বনাম বহুতো, যেনে:— সি, যি, ই, কোন, কি, সেই, সৌৱা, এনে, কেনে তেনে, কিমান, কেনেকুৱা, কিছু, কিছুমান, সকলো, ইত্যাদি।

## প্ৰশ্ন।

১। সৰ্ব্বনাম পদ কাক বোলে আৰু সি কেই প্ৰকাৰ?

২। তলত লিখা বাক্যবোৰত থকা সৰ্ব্বনাম পদবোৰ বাছি উলিওৱা।—

(ক) গুৰুক সেৱা কৰাত তেখেতে আশীৰ্ব্বাদ দিলে।

(খ) আপুনি কেতিয়া আহিল?

(গ) কলিকতাত দুদিন থাকি তাৰপৰা বিলাতলৈ গলোঁ।

(ঘ) এনে কথাতহে খং উঠে।

(ঙ) ৰামক কলোঁ:— এই নিচিনা কথা আগলৈ নকৰিবা; তাকে শুনি সি মোক খেদি আহিল।

৩। সৰ্ব্বনাম কিহৰ কিহৰ সলনি বহে? একোটা উদাহৰণ কোৱা।

৪। বিশেষণ সৰ্ব্বনাম লগাই তিনি আষাৰ কথা লিখা।

—০:০:০—

# ৮ম পাঠ ক্ৰিয়া ।

১। (ক) ৰামে হাল বাইছে ।

(খ) কান্দুৰাই পানীত সাঁতুৰিছিল ।

(গ) মই সদায় স্কুললৈ যাওঁ ।

ওপৰৰ বাক্য কেইটাত থকা 'বাইছে', 'সাঁতুৰিছিল', আৰু 'যাওঁ' এই কেইটা শব্দ যদি নাথাকিলহেঁতেন, তেনেহলে বাক্য কেইটাৰ একো অৰ্থ নোলালহেঁতেন । প্ৰথম বাক্যত 'বাইছে' থকাত হালবোৱা কামটো ৰামে কৰা বুজাইছে ; দ্বিতীয় বাক্যত 'সাঁতুৰিছিল' থকাত কান্দুৰাই পানীত নাদুৰা বুজাইছে ; আৰু তৃতীয় বাক্যত 'যাওঁ' শব্দে মই স্কুললৈ যোৱা বুজাইছে । এইদৰে **যিবোৰ শব্দে কোনো কাম কৰা বা হোৱা বুজায় তাকে ক্ৰিয়াপদ বোলে ।**

২। (ক) ৰামে ভাত খাই ঘৰলৈ গল ।

(খ) বাঘ লৰি হাবিত সোমাল ।

(গ) সাধুকথা শুনি তেওঁ টোপনি গল।

ওপৰত লিখা বাক্য কেইটাৰ প্ৰতিটাত দুটা দুটা কাম কৰা বুজোৱা শব্দ আছে। আমি আগয়ে কোৱা নিয়মে এই কেইটা ক্ৰিয়াপদ হলেও অলপ গমি চালে বুজিব পাৰোঁ—'গল'টো যেনে 'খাই'টো তেনে নহয়, 'লৰি'টো যেনে 'সোমালটো তেনে নহয়, আৰু 'শুনি'টো যেনে 'টোপনি গল'টো তেনে দৰৰ নহয়। 'গল, 'সোমাল, আৰু টোপনি গল' এই বাক্য কেইটা শেষ হোৱা বুজাইছে, কিন্তু 'খাই' 'লৰি' আৰু 'শুনি'য়ে কথা কেই আষাৰ শেষ হোৱা বুজোৱা নাই। সেই কাৰণে'গল', 'সোমাল', 'টোপনি গল আদিৰ দৰে কথা শেষ হোৱা বুজোৱা ক্ৰিয়াক **সমাপিকা ক্ৰিয়া** বোলে। আৰু 'খাই', 'লৰি', শুনি আদিৰ দৰে কথা শেষ হোৱা নুবুজোৱা ক্ৰিয়াক **অসমাপিক ক্ৰিয়া** বোলে। এতেকে ক্ৰিয়া পদ দুবিধ। এই দুবিধ ক্ৰিয়া আকৌ দুধৰণৰ; ইয়াৰ কথা পাচত কোৱা হব।

৩। বিশেষণৰ কথা কওঁতে ক্ৰিয়া বিশেষণ নামে এবিধ বিশেষণ থকাৰ কথা কৈছিলো; এতিয়া ইয়াত তাৰে অলপ কথা কওঁ।

(১) বাঘে খৰকৈ খোজ কাঢ়ে।

(২) লৰালৰিকৈ খালে অজীণ হয়।

(৩) ভালদৰে কথাবোৰ মনত ৰাখিবা।

(৪) ডাঙৰীয়াই গহীণাই মাতিলে।

ওপৰত বাক্য চাৰিটা চালে আমি দেখিম 'খোজ কাঢ়ে,' 'খালে', 'মাতিলে' আৰু 'ৰাখিবা' এই কেইটা ক্রিয়া। আমি যদি প্রথম ক্রিয়াটোক সোধোঁ—ৰামে কেনেকৈ খোজ কাঢ়ে? তেনেহলে তাৰ উত্তৰ ওলাব খৰকৈ; 'খালে' ক্রিয়াক যদি সোধোঁ—কেনেকৈ খালে অজীণ হয়? উত্তৰ ওলাব লৰালৰিকৈ; সেইদৰে 'মাতিলে'ক সুধিলে গহীণাই আৰু 'ৰাখিবা'ক সুধিলে ভালদৰে ওলাব। এই নিচিনা **ক্রিয়াৰ অৱস্থা বুজোৱা শব্দকে ক্রিয়া-বিশেষণ পদ** বোলে।

প্রশ্ন।

১। তলত লিখা বাক্যবোৰৰপৰা ক্রিয়া-পদবোৰ বাছি উলিওৱা।
(ক) ৰাম গল। (খ) মাছবোৰ পানীত সাতুৰিছে।
(খ) মোৰ ধুতিখন ফালিল।
(গ) ধনী মাত দি গুচি গল।
(ঘ) বাঘে গৰু ধৰি হাবিত সোমাওঁতেই আমি সেই ঠিনি পালোঁ।

২। ক্রিয়া পদ কাক বোলে আৰু কেই প্রকাৰ?

৩। ১ নং প্রশ্নত দিয়া বাক্য কেইটাত থকা অসমাপিকা ক্রিয়াবোৰ বাছি উলিওৱা।

৪। দহটা ক্রিয়াপদৰ নাম কোৱা, আৰু প্রতিটা লগাই একো আষাৰ কথা লিখা।

৫। ক্রিয়া বিশেষণ কাক বোলে? তলত লিখা ক্রিয়া বিশেষণ-বোৰ লগাই একোটা বাক্য কোৰা :— বেগাই, ধুনাই, গিৰিসাই, বেগতে, উচিত, অকলে, কেনেকৈ, তেহে আৰু কিয়।

---

## ৯ম পাঠ— অব্যয়।

১। (১) ধনী **আৰু** মণি স্কুললৈ গৈছে।

(২) মই যাম **কিন্তু** একো কাম কৰিব নোৱাৰোঁ।

(৩) **যদি** ধনী আহে, **তেনেহলে** গোপাল যাব।

(৪) **ছিঃ** কি কাম কৰিলা!

(৫) ঈশ্বৰৰ নাম **বিনে** গতি নাই।

(৬) **হেৰা** হৰি কলৈ যোৱা?

(৭) হৰিয়ে **নো** কি কৰিছে?

ওপৰৰ বাক্য কেইটাত ব্যৱহাৰ কৰা 'আৰু' 'কিন্তু' 'যদি', 'ছিঃ', 'বিনে', 'হেৰা', 'নো' এই কেইটা শব্দত বাজে বাকী শব্দবোৰ আমি আগেয়ে কৈ [illegible] পদবোৰৰ ভিতৰত পৰিব অর্থাৎ কোনোটো বিশেষ্য কোনোটো বিশেষণ, কোনোটা সর্ব্বনাম, আৰু কোনোটো ক্রিয়াপদ হব। তেনেহলে 'আৰু', 'কিন্তু', 'যদি', 'ছিঃ', 'বিনে', 'হেৰা', এই কেইটা শব্দ নো কি?

২। 'ধনী' শব্দটোক বহলাব পাৰি—ধনীলৈ, ধনীৰে ধনীৰ পৰা। 'পৰিছে'ক সৰু কৰিব পাৰি—পৰোঁ, পৰি.

পৰে। 'কাম'ক বেলেগ ভাৱে লিখিব পাৰি— কামবোৰ কামলৈ, কামৰ পৰা ; ইত্যাদি।

সেই হিচাবে যদি আমি 'আৰু', 'কিন্তু', 'যদি', 'ছিঃ,' আদিক বহল চুট কৰিব খোজোঁ তেন্তে কেতিয়াও নোৱাৰোঁ। এনেবোৰ শব্দক কোনো অৱস্থাতে ডাঙৰ সৰু কৰিব নোৱাৰাৰ বাবে আমাৰ পণ্ডিতসকলে ইহঁতৰ নাম **অব্যয়** দিছে।

৩। অব্যয়বোৰ নানা অৰ্থত ব্যৱহাৰ হয়। কিছু-মানে কোনো বাক্য বা শব্দক লগলগাই দিয়ে ; সেই দেখি সিহঁতক **যোজক** অব্যয় বোলে। আৰু, অথচ যেনে, কাৰণ ইত্যাদিবোৰ যোজক অব্যয়। আন কিছুমানে শব্দ বা বাক্যক বেলেগাই দিয়ে যেনে— কিন্তু, নতুবা, তথাপি, তেও। এইবোৰ **বিযোজক** অব্যয়।

ইয়াৰ উপৰিও কিছুমানে কোনো **মনৰ ভাব** প্ৰকাশ কৰাত সহায় কৰে, যেনে— ছিঃ, হায়, অহ ইত্যাদি। কিছুমান **প্ৰশ্নসোধাত** ব্যৱহাৰ হয়, যেনে কি, কিয়, নে, না, নো ইত্যাদি। আৰু কিছুমান যি কোনো **শব্দৰ লগত ব্যৱহাৰ** হৈ তাক বিশেষ অৰ্থ দিয়ে, যেনে সৈতে, বাজে, পতি, অবধি, পৰ্য্যন্ত, বিনা ইত্যাদি।

৪। এইবোৰ অব্যয়তকৈ অলপ বেলেগ ধৰণৰ আৰু কুৰিটা অব্যয় আছে। ইহঁত ক্ৰিয়াৰ আগত ব্যৱহাৰ

হৈ. ক্ৰিয়াৰ অৰ্থ ভিন্ ভিন্ কৰে। যেনে 'গমা' অৰ্থ যোৱা ; ইয়াৰ আগত এটা 'আ' যোগ কৰি 'আগমন' শব্দ কৰিলে তাৰ অৰ্থ আহা হয়। 'ভ্ৰমন' অৰ্থ ফুৰা পৰিভ্ৰমন অৰ্থ চাৰিও ফালে ঘূৰি ফুৰা। এই কুৰিটা শব্দাংশৰ নাম **উপসৰ্গ** ; আৰু ইহঁত সততে কোনো ক্ৰিয়া বা ক্ৰিয়াবাচক বিশেষ্যৰ আগত হে বহে।

এতিয়া হিচাব কৰি চোৱাচোন অব্যয় আমি কিমান বিধ পালোঁ ?

প্ৰশ্ন ।

১। অব্যয় কাক বোলে ?

২। যোজক অব্যয় কি, উদাহৰন দি বুজাই দিয়া।

৩। তলত লিখা বাক্যবোৰত থকা অব্যয়বোৰ বাছি উলিওৱা আৰু বিমান পাৰা কোনটোৱে কি অৰ্থ বুজাইছে কোৱা।

(ক) হায় কি কাম কৰিলোঁ!

(গ) মই যাওঁ, কাৰণ নগলে তেওঁ বেয়া পাব।

(ঘ) মোৰ এটকা কি দুটকা ৰূপ আছিল।

(ঙ) তুমি তেওঁক লগ পাইছিলা নে ?

(চ) মই ইমান কলোঁ, তেও নুশুনিলে।

(ছ) হেৰা মধু! তুমি হে কৈছিলা ; এতিয়া য[illegible]ওঁ নাহে তেন্তে আমাৰ সকলো বৃথা হল।

(জ) হৰিত বাজে আনে কোনে ভাবিব ?

৪। তলত লিখা অব্যয়বোৰ খটুৱাই একো আষাৰ কথা কোৱা— তথাপি, হেতু, যদ্যপি, কাৰণ, বাবে, হেৰ নো, কি আৰু আঃ ॥

—০O০—

## ১০ পাঠ— অনুকাৰ অনুৰূপ আৰু উপশব্দ।

১। তোমালোকৰ আগত বিশেষ্য, বিশেষণ, সৰ্ব্বনাম, ক্ৰিয়া আৰু অব্যয়ৰ কথা কোৱা হল। আমি সচৰাচৰ কোৱা কথাবোৰ প্ৰায় পাঁচ বিধৰ ভিতৰতে পৰে। কিন্তু এইবোৰ পদকে কেতিয়াবা আমি ভাঙি-ছিঙি বেলেগ বেলেগ ধৰণে কওঁ; তেতিয়া সেই শব্দ-বোৰৰ গঢ় লৰে আৰু পূৰ্ব্বৰ পদ বুলি চিনিব নোৱাৰা হয়। আমাৰ পণ্ডিতসকলে এইবোৰ শব্দকো বেলেগ বেলেগ নাম দিছে।

২। (১) কাউৰীয়ে **কা কা** কৰিছে।

(২) বতাহত বাঁহবোৰ **কেৰ্-কেৰ্** কৰিছিল।

(৩) চোৰাচোন, কিহবাই ভিতৰত **ঘটং ঘটং** কৰিলে।

এতিয়া অলপ গমি চালে দেখিবা ওপৰৰ বাক্য তিনটাত থকা কা-কা, কেৰ্-কেৰ্, ঘটং-ঘটং শব্দ আমি আগতে কৈ অহা পাঁচ বিধ পদৰ ভিতৰত পৰিও নপৰা হৈছে। 'কা-কা'ই কাউৰীৰ শব্দ, 'কেৰ্-কেৰ্' এ বাঁহৰ

শব্দ আৰু 'ঘটং-ঘটঙে' কিহবাই কৰা শব্দ বুজাইছে। এই নিচিনা চৰাই, পশু বা বাদ্য আদিৰ মাতক মানুহে মুখেৰে উচ্চাৰণ কৰিলে যি শব্দ হয়, সেই শব্দক **অনুকাৰ শব্দ** বোলে। অনুকাৰ শব্দ যেনে হুৰ্-হুৰ্ গিৰ্-গিৰ্ হিৰ্-হিৰ্ টং-টং মৰ্-মৰ্ দপ্-দপ্ ডুপ্-ডুপ্, খিৰ্-খিৰ্ ইত্যাদি।

৩। (১) **মাছ-টাছ** নাই কিহেৰে ভাত খাবা ?

(২) সোনকালে **ভাত-চাট** খা।

(৩) **কিতাপ-চিতাপবোৰ** ভালদৰে থোৱাঁ।

ওপৰৰ বাক্য তিনটা চালে দেখিবা—টাছ, চাট, চিতাপ এই শব্দ কেইটাৰ নিজৰ একো অৰ্থ নাই। ইহঁত যি শব্দৰ লগত বহিছে তাৰ অনুৰূপ কোনো বস্তু যেনে আঞ্জা-পাচলি, বহী কাকত প্ৰভৃতি বুজাইছে; আৰু ইহঁতৰ গঢ় যি শব্দৰ লগত বহে তাৰ নিচিনা। এইদৰে কোনো বিশেষ্য পদ বুজোৱা শব্দৰ লগতে সেই দৰৰ আন বস্তু বুজাবলৈ, পঢ়িবলৈ সেই বিশেষ্য পদৰ দৰে, যি শব্দ ব্যৱহাৰ কৰা যায় তাক **অনুৰূপ শব্দ** বোলে। অনুৰূপ শব্দ বহুতো আছে :— বাটি চাটি. ঘৰ চৰ, চাবি-টাবি, কলম-চলম, টকা-চকা ইত্যাদি।

(১) লোকজন বৰ মৰমিয়াল।

(২) পৰীক্ষাত প্ৰথম হোৱাৰ কাৰণে ৰামে দহখন কিতাপ পালে।

(৩) সেইটো কথা শিক্ষা-গুৰুৱে মোক কৈছিল।

(৪) মানুহ গৰাকীক দেখিলেই ভক্তি হয়।

ওপৰৰ প্ৰথম বাক্যত 'জন' শব্দে 'লোক' শব্দৰ পাচত থাকি লোকজন যে পুৰুষ আৰু এজন হে তাক বুজাইছে। আৰু দ্বিতীয়, তৃতীয় বাক্যলৈ চোৱাঁ 'খন' আৰু 'টো' শব্দটো 'দহ' আৰু 'সেই শব্দৰ পাচত থাকি সিহঁতৰ কেনেদৰে পৰিমাণ বুজাইছে। চতুৰ্থ বাক্যৰ 'গৰাকী' শব্দেও 'মানুহ' যে এজনী আৰু তেওঁ তিৰোতা আৰু ভালদৰে দেখুৱাইছে। এইদৰে যিবোৰ শব্দ বিশেষ্য, সংখ্যাশব্দ আৰু বিশেষণ সৰ্ব্বনামৰ পাচত থাকি কোনো বস্তুৰ আকৃতি বা পৰিমাণ বুজায় তাক **উপশব্দ** বোলে। সাধাৰণতঃ উপশব্দ এইবোৰ:—টি, টী, জন জনা, জনী, ডাল, ডালি, জোপা, জুপি, খান, খানি, গছ, গছি, ইত্যাদি।

প্ৰশ্ন

১, অনুকাৰ শব্দ কাক বোলে? কিছুমান অনুকাৰ শব্দৰ নাম কোৱা।

২। অনুৰূপ শব্দ কেনুকুৱা ? তিনটা অনুৰূপ শব্দ লগাই তিনি আযাৰ কথা কোৱা ।

৩। তলত লিখা বাক্যবোৰৰপৰা অনুকাৰ, অনুৰূপ আৰু উপশব্দ বোৰ বাছি উলিওৱা :—

(ক) শিয়ালটোৱে খেক্ খেক্ কৰিছে।

(খ) কাপোড়-চাপোৰবোৰ ভালদৰে ধোৱা।

(গ) সেইজন মানুহক ধৰি নিলে।

(ঘ) ঘৰি টং-টং কৰিছে, কাঁহত ঢং-ঢং কৰিছে, চকিদাৰৰ ডাক পৰিছে, ল'ৰা-তৰা লৰি গৈছে, শিক্ষকজনা আহিছে, তুমি নোযোৱা নে ?

---

## ২য় অধ্যায়।

—০—

### ১১শ— পাঠ লিঙ্গ।

আগেয়ে নাম বুজোৱা বিশেষ্যপদৰ কথা কৈ অহা হৈছে এতিয়া লৰা, ছোৱালী, গাই, খুৰা. পেহা আদি বিশেষ্য শব্দৰ কোনটো শব্দই মতা আৰু কোনটো মাইকী বুজাইছে তাক পোনতে কব নোৱাৰি নে? মতামাইকী চিনিব নোৱাৰাও কিছুমান শব্দ আছে; যেনে গছ, জোন, তৰা, কাপোৰ কিতাপ। ইহঁত মতাও নহয়, মাইকীও নহয়। এইদৰে নামবাচক বিশেষ্য শব্দবোৰক তিনটা ভাগত ভগাব পাৰি:— মতাক বুজোৱা, মাইকীক বুজোৱা আৰু মতা-মাইকী চিনিব নোৱাৰা বস্তুক বুজোৱা। শব্দবোৰৰ যি বিশেষত্বৰ দ্বাৰা আমি সিহঁতক মতা নে মাইকী বা মতা মাইকী একো নোহোৱা জানিব পাৰো, তাক ব্যাকৰণ মতে **লিঙ্গ** বোলে।

২। এই কাৰণে পণ্ডিতসকলে;—

মতাক বুজোৱা শব্দক **পুংলিঙ্গৰ** শব্দ

তিৰোতাক বুজোৱা শব্দক **স্ত্রীলিঙ্গৰ** শব্দ আৰু মতা তিৰোতা চিনিব নোৱাৰা শব্দক **ক্লীবলিঙ্গৰ** শব্দ বোলে ।

প্রশ্ন ।

১। লিঙ্গ কেইবিধ আৰু কি কি ?

২। স্ত্রীলিঙ্গ কাক বোলে ? কেইটামান স্ত্রীলিঙ্গ শব্দৰ নাম কোৱা ।

৩। তলত লিখা শব্দবোৰৰ কোনটো কোন লিঙ্গঃ— ডেকা আইটী, তৰা, বগলী, খুৰী, গাই, বৌ, দমৰা, বাঁহ, পথাৰ ছাগল, পাঠা, চকি, শাহু, কিতাপ, গোলোগ, লৰা; কাউৰী, আৰ্চ্চি, তিৰোতা, হাঁহ, বুঢ়া, মাই, কলহ, ভনী, নদী, ধঁপাত, লো, দাদা ছোৱালী জেঠা, ককাই, বাই, কলিতা, হিন্দু, কিতাপ আৰু কাকত ।

৪। (ক) পেহা শব্দৰ নিচিনা পাঁচোটা শব্দ কোৱা ।

(খ) আই শব্দৰ দৰে ছটা শব্দ বিচাৰি উলিওৱা ।

(গ) গছ শব্দৰ নিচিনা তুমি কিমান শব্দ জানা ?

# ১২শ পাঠ— বচন ।

১। 'মানুহ' বুলিলে যি বুজায়, 'মানুহবিলাক' বুলিলে তাকে বুজায় নে? 'চৰাইবোৰ' শব্দে যি বুজায় 'চৰাই' শব্দে তাকে বুজায় নে? এইদৰে আমি এটা বস্তুক বুজাবলৈ যি শব্দ ব্যৱহাৰ কৰোঁ, সেই বস্তু অধিক সংখ্যাৰ হলে শব্দটো অলপ বহলাওঁ; যেনে :—

| | |
|---|---|
| দেৱতা | দেৱতাসকল |
| গছ | গছবোৰ |
| তিৰোতা | তিৰোতাবিলাক |
| লৰা | লৰাবিলাক |
| হাঁহ | হাঁহবোৰ |
| পণ্ডিত | পণ্ডিতসকল |

৪১৫৮/অ:

এইদৰে যি **চিনেৰে বস্তুৰ সংখ্যা বা পৰিমাণ বুজিব পাৰি তাক বচন** বোলে ।

২। এটা বস্তুক বুজালে **একবচন** বোলে ।

এটাতকৈ বেচি বস্তুক বুজালে **বহুবচন** বোলে ।

একবচন শব্দৰ পাচত সকল, বিলাক, বোৰ, গণ, সখা, জাক আদি লগাই বহুবচন কৰা হয় ।

প্ৰশ্ন ।

১। বহুবচন বুলিলে কি বুজিবা ?

২। ঢাবি, পুৰোহিত, ডেকা, বটা, নদী, আৰু চাউল এইবোৰ শব্দ বহুবচনত কেনে হব ?

৩। তলত লিখা শব্দবোৰ একবচনলৈ নিয়া :—

খেৰবোৰ, জ্ঞানীসকল, দেৱগণ, কাকতবোৰ, গৰুজাক, চাকৰবিলাক ঘোৰানথা আৰু নৰাবিলাক ।

---

## ১৩ পাঠ— পুৰুষ।

১। (১) মই ভাত খাওঁ।
(২) তুমি কিতাপ পঢ়া।
(৩) হৰি অঙ্ক জানে।

ওপৰৰ কথা কেই আষাৰৰ কিবা বিভিন্নতা বুজিব পাৰা নে ? প্ৰথম আষাৰত নিজে কৰা বুজাইছে, দ্বিতীয় আষাৰে মুখৰ আগত থকা লোকক আদেশ কৰিছে আৰু তৃতীয় আষাৰত অন্য লোকে জনা বুজাইছে।

২। এইদৰে **কওঁতাই নিজক বুজোৱা সৰ্ব্বনামক প্ৰথম পুৰুষ** বোলে। মই, আমি, আমালোক এই কেইটাই প্ৰথম পুৰুষৰ সৰ্ব্বনাম।

**যাক কোৱা যায় তাকবুজোৱা সৰ্ব্বনামক দ্বিতীয় পুৰুষ** বোলে। তুমি, তোমালোক, তই, তহঁত, আপুনি আপোনালোক, এই কেইটা দ্বিতীয় পুৰুষৰ সৰ্ব্বনাম।

প্ৰথম পুৰুষ আৰু দ্বিতীয় পুৰুষত বাজে আনবিলাক সৰ্ব্বনাম আৰু বিশেষ্যপদবোৰ **তৃতীয় পুৰুষ** ; যেনে :— তেওঁ, সি, তেওঁবিলাক, হৰি, যাদৱ, মাধৱ, গছ, চন্দ্ৰ, পৃথিবী ইত্যাদি।

## প্ৰশ্ন।

১। পুৰুষ কেইবিধ আৰু কি কি ?

২। তৃতীয় পুৰুষ কাক বোলে ?

৩। তলত লিখা বাক্যবোৰত থকা বিশেষ্য আৰু সৰ্ব্বনাম পদৰ পুৰুষ ঠিক কৰা:—

(ক) মই মনযোগেৰে পঢ়া দেখি গুৰুৱে মোক পুৰস্কাৰ দিলে।

(খ) হৰিয়ে ব্যাকৰণ মনযোগেৰে পঢ়ে।

(গ) ৰামে পঢ়া কথাবোৰ ভাবি চায়।

(ঘ) আব্দুলে মিছা কথা নকয়।

(ঙ) তুমি খেলিবলৈ নোযোৱা নে ?

(চ) গিৰিহঁতে চাকৰ কেটাক কলে:— "তইঁত খেৰলৈ যা"।

---

## ১৪শ, ১৫শ আৰু ১৬শ পাঠ—কাল।

১। (ক) হৰি স্কুললৈ **গৈছিল**।

(খ) চফিয়তে কিতাপ **পঢ়ে**।

(গ) বন্ধত তুমি ঘৰলৈ **যাবা**।

ওপৰৰ বাক্য তিনটাত থকা **গৈছিল, পঢ়ে** আৰু **যাবা** এই কেইটা ক্ৰিয়া। এতিয়া সিহঁতৰ অৰ্থলৈ মন কৰিলে দেখা যায় যে, হৰিয়ে **আগেয়ে** স্কুললৈ যোৱা, চফিয়তে **সদায়** কিতাপ পঢ়া আৰু তুমি **আগলৈ** ঘৰলৈ যোৱা এই কথা কেইটা বুজাইছে; অৰ্থাৎ সিহঁতৰ প্ৰথমটোৱে কোনোবা **অতীত** সময়ত যোৱা কথা, দ্বিতীয়টোৱে সদায় বা **বৰ্ত্তমানত** হোৱা কথা আৰু তৃতীয়টোৱে আগলৈ বা **ভবিষ্যতত** হব খোজা কথা বুজাইছে। ক্ৰিয়া হোৱাৰ এই সময়কে ব্যাকৰণত **কাল** বোলে। কাল অৰ্থ সময়।

২। এতিয়া আৰু অলপ ভাবি চালে বুজিব পাৰিবা যে **কাল তিনিটা—অতীত** বা **ভূত** ( অৰ্থাৎ হৈ যোৱা ), **বৰ্ত্তমান** আৰু **ভবিষ্যত**। 'গৈছিল'ৰ নিচিনা যিবোৰ ক্ৰিয়াই কোনো কাল অতীত হৈ যোৱা বুজায়

তাক অতীত বা ভূতকালৰ ক্ৰিয়া বোলে। 'পঢ়ে'ৰ নিচিনা যিবোৰ ক্ৰিয়াই কাম চলি থকা বুজায় তাক বৰ্ত্তমান কালৰ ক্ৰিয়া বোলে। আৰু 'যাবাৰ' দৰে যি ক্ৰিয়াই আগলৈ হবলগীয়া কাম বুজায়, তাক ভৱিষ্যত কালৰ ক্ৰিয়া বোলে।

প্ৰশ্ন।

(ক) কাল কাক বোলে, আৰু সি কেইবিধ?

(খ) অতীত কাল কাক বোলে? উদাহৰণ দি বুজাই দিয়া।

(গ) তলত লিখা ক্ৰিয়াবোৰৰ কাল ঠিক কৰাঃ— খালোঁ, কাটিম, ধৰিছিল, কৰিছোঁ, ধৰিলোঁহেঁতেন, পঢ়ে আৰু খাওঁ।

১। অতীত কাল—

(১) ছাত্ৰে কিতাপ পঢ়িলে।

(২) ৰাম বনবাসলৈ গৈছিল।

(৩) পাৰা হলে একে জাপে স্বৰ্গত উঠিলোঁহেঁতেন।

অলপ চিন্তা কৰিলে বুজিব পাৰিবা যে, ওপৰৰ বাক্য তিনটাত থকা 'পঢ়িলে', 'গৈছিল' আৰু 'উঠিলোঁহেঁতেন' এই কেইটা অতীত কালৰ ক্ৰিয়া হলেও ক্ৰিয়া কেইটাই একে অৰ্থকে বুজোৱা নাই। 'পঢ়িলে' ক্ৰিয়াই

অলপতে পঢ়া শেষ হোৱা বুজাইছে, 'গৈছিল' ক্ৰিয়াই কেতিয়াবাতে হোৱা বুজাইছে আৰু 'উঠিলোঁহেঁতেন' অতীত হোৱাৰ সম্ভাৱনা থকাতো নোহোৱাকৈ ক্ৰিয়া শেষ হোৱা বুজাইছে।

(খ) এই কাৰণে অতীত কালক পুনৰ তিনটা ভাগ কৰা হয়ঃ— যি ক্ৰিয়াই 'পঢ়িলে'ৰ নিচিনা অলপতে শেষ হোৱা বুজায় তাৰ কালক **সামীপ্য অতীত** বোলে; যেনেঃ— ধৰিলোঁ, কাটিলা, মাৰিলে, ইত্যাদি।

'গৈছিল'ৰ নিচিনা যি ক্ৰিয়া অতীত হবৰ বেচি দিন বা সময় হল তাৰ কালক **স্বৰূপ অতীত** বোলে; যেনেঃ— মাৰিছিলোঁ, কাটিছিল, কাটিছিলা ইত্যাদি।

যি ক্ৰিয়াই 'উঠিলোঁহেঁতেন'ৰ দৰে হবৰ সম্ভাৱনা থকাতো নোহোৱাকৈ শেষ হোৱা বুজায় তাৰ কালক **সাম্ভাব্য অতীত** বোলে; যেনেঃ— মাৰিলোহেঁতেন, ধৰিলোঁহেঁতেন, ইত্যাদি।

### প্ৰশ্ন।

১। অতীত কাল কাক বোলে? সি কেই প্ৰকাৰ আৰু কি কি?

২। তলত লিখা বাক্যবোৰত থকা ক্ৰিয়াৰ কাল ঠিক কৰাঃ—

(ক) মই ঘৰলৈ গৈছিলোঁ।

(খ) তুমি আহিলে মই গলোঁহেঁতেন।

(গ) তুমি হে কৰিছিলা।

(ঘ) হৰিয়ে সুন্দৰপৰা আহি খেলিলে।

২। বৰ্ত্তমান কাল—

(ক) খেতিয়কে হাল বায়।

(খ) ইংৰাজে জৰ্ম্মানৰ লগত যুঁজ কৰিছে।

ওপৰৰ বাক্য দুটাত থকা ক্ৰিয়া দুটা যদিও বৰ্ত্তমান কালৰ ক্ৰিয়া তথাপি 'বায়'টোৱে সকলো সময়তে বোৱা কাম কৰা বুজাইছে, আৰু 'কৰিছে'টোৱে এতিয়া কাম কৰি থকা বুজাইছে, আগলৈ নকৰিবও পাৰে। সেই কাৰণে যি ক্ৰিয়াই 'বায়'ৰ নিচিনা সদায় হৈ থকা বা ঘটি থকা বুজায় তাৰ কালক **নিত্য বৰ্ত্তমান** কাল; আৰু কৰিছে ক্ৰিয়াৰ দৰে যি ক্ৰিয়াই বৰ্ত্তমানত চলি থকা আৰু আগলৈও হব পাৰে এনে কাল বুজায় তাৰ কালক **স্বৰূপ বৰ্ত্তমান** কাল বোলে।

প্ৰশ্ন।

১। তলত লিখা বাক্যবোৰত থকা ক্ৰিয়াৰ কাল ঠিক কৰা :—

(ক) হৰিয়ে পঢ়িছে। (খ) মই গল্প লিখোঁ।

(গ) বৰষুণ দিলে জাৰ লাগে। (ঘ) মেঘৰ গাজনিত ভয় লাগে।

২। (ক) বৰ্ত্তমান কাল কেই প্ৰকাৰ ?

(খ) নিত্য বৰ্ত্তমান কালৰ ক্ৰিয়া কেইটামান কোৱা।

# ১৭শ পাঠ— বিভক্তি ।

১। প্ৰথম অধ্যায়ৰ ৯ম পাঠত অব্যয়ৰ কথা কওঁতে দেখি আহিছোঁ যে অব্যয়ত বাদে আন পদবোৰ বঢ়াব পাৰি। যেনে লৰা এটা বিশেষ্য পদ; ইয়াক বঢ়াই আমি লৰাই, লৰাক, লৰাৰ পৰা, লৰাবোৰৰ ইত্যাদি অনেক নতুন শব্দ সৃষ্টি কৰিব পাৰোঁ। এইদৰে নতুন কৰিব খুজিলে মূল শব্দটোত আন কিছুমান আখৰ লগাই দিব লাগে। ওপৰৰ উদাহৰণত লগাই দিয়া আখৰ কেইটা হৈছে— ই, ক, ৰ, পৰা, বোৰৰ ইত্যাদি। শব্দক এইদৰে বঢ়োৱাৰ পৰা তাৰ অৰ্থৰ ইতৰ বিশেষ হয়। কোনো শব্দ এটাক এইদৰে বঢ়াবৰ কাৰণে যি আখৰবোৰ যোগ কৰা যায় তাকেই **শব্দবিভক্তি** বোলে।

২।ব্যাকৰণত এই বিভক্তি বা লগাই দিব লগীয়া আখৰবোৰক সাতোটা ভাগত ভগাইছে বা **শব্দবিভক্তি সাতোটা** বুলি কয়। এই সাতোটাৰ নাম আৰু প্ৰত্যেকৰ চিন তলত দিয়া গল।

প্ৰথম—ই, এ—যেনে লৰাই, মানুহে।
দ্বিতীয়া—ক— ,, লৰাক, মানুহক।
তৃতীয়া—ৰে, দি দ্বাৰা—,, লৰাৰে, মানুহৰ, দ্বাৰা ফুটাইদি।
চতুৰ্থী—ক, লৈ—যেনে লৰাক, লৰালৈ।
পঞ্চমী—পৰা— ,, লৰাৰপৰা।
ষষ্ঠী—ৰ—লৰাৰ।

সপ্তমী—ত—লৰাত।

৩। এইবোৰক শব্দ-বিভক্তি বোলে। কিন্তু আন আন শব্দৰ দৰে ক্রিয়াবোৰকো ডাঙৰ সৰু কৰিব পাৰি। যেনে খা ক্রিয়াটোৰপৰা খাওঁ,খায়, খাইছিল খাইছে, খাম, খাব ইত্যাদি বহুত নতুন অর্থ বুজোৱা ক্রিয়া কৰিব পাৰি। ইয়াতো আগৰ দৰে কিছুমান নতুন আখৰ লগাই দিব লাগে—ওপৰত ওঁ, য়, ইছিল ইছে, ম, ব. এইবিলাক আখৰ লগাই দিয়া হৈছে। এইবোৰক **ক্রিয়া-বিভক্তি** বোলে।

৪। গতিকে বিভক্তি দুবিধ :—

(ক) শব্দ বিভক্তি। (খ) ক্রিয়া বিভক্তি।

আৰু শব্দবিভক্তিৰ পুনৰ সাতোটা ভাগ। ক্রিয়া বিভক্তিৰো অনেক ভাগ আছে—তাক এই ভাগ ব্যাকৰণ পাঠত দিয়া নহল।

প্রশ্ন।

(ক) শব্দ বিভক্তি কাক বোলে? সি কেই প্রকাৰ আৰু কি কি?

(খ) পঞ্চমী আৰু দ্বিতীয়া বিভক্তিৰ চিন কি?

(গ) ক্রিয়া বিভক্তি কাক বোলে? তাৰ চিন এটা দেখুৱা।

# তৃতীয় অধ্যায়।

## ১৮শৰ পৰা ২৪শ পাঠ—কাৰক।

১। আগতে কৈ আহিছোঁ যে, আমি যিবোৰ শব্দ কওঁ তাৰ পতিটাক একোটা পদ বোলে। তোমালোকে গম ধৰিব পাৰিছা নে নাই কব নোৱাৰোঁ, এই পদবোৰৰ কিছুমানৰ লগত ক্ৰিয়াৰ সম্বন্ধ আছে আৰু কিছুমানৰ লগত নাই; যেনে:—ৰামে ইংৰাজী পঢ়িছে।

ইয়াত **'পঢ়িছে'** ক্ৰিয়াপদ; ক্ৰিয়াটোক 'কোনে পঢ়িছে'? বুলি সুধিলে উত্তৰ ওলাব—**'ৰামে'**; 'কি পঢ়িছে'? বুলি সুধিলে উত্তৰ হব—**'ইংৰাজী'**। সেই নিচিনাকৈ:—'হৰি! তুমি কিয় সংস্কৃত ন পঢ়া'?

ইয়াত **'নপঢ়া'** ক্ৰিয়াপদ; 'নপঢ়া'টোক সোধা 'কোনে নপঢ়া'? উত্তৰ পাবা **'তুমি'**; 'কি নপঢ়া'? বুলি সুধিলে উত্তৰ ওলাব **'সংস্কৃত'**। কিন্তু ক্ৰিয়াটোকে যিমানেই যি ধৰণে সোধা তথাপি **'হৰি!'** আৰু **'কিয়'** এই দুটা উত্তৰ নোলায়। এইদৰে আমি কোৱা বাক্যবোৰক কিছুমান পদৰ ক্ৰিয়া পদৰ লগত সম্বন্ধ আছে আৰু কিছুমানৰ নাই। **যিবোৰ পদৰ ক্ৰিয়াৰ লগত সম্বন্ধ থাকে তাক কাৰক** বোলে।

২। কৰ্ত্তা কাৰক:—'ৰামে ঘৰ এটা সাজিলে।'

**'সাজিলে'** ক্ৰিয়াক সোধা—"কোনে ঘৰ এটা সাজিলে?" উত্তৰ ওলাব—**'ৰামে'**। এইদৰে— 'গছে

শিপাৰে ৰস টানে ।”

‘টানে’ক সোধা—‘কিহে ?’ উত্তৰ ওলাব ‘গছে’। এইদৰে ক্ৰিয়াক কোনে বা কিহে বুলি সুধিলে কাম কৰোঁতা কাৰকটো আগত আহি দেখা দিয়েহি আৰু সি নিজে কামটো কৰা বুজায় ; সেই কাৰণে এই কাৰকক **কৰ্ত্তাকাৰক** বোলে। কৰ্তাৰ অৰ্থ যি কৰে।

প্ৰশ্ন ।

(১) তুমি দু আষাৰ কথা কোৱা আৰু সিহঁতৰ কৰ্ত্তাটো বাছি দিয়া ।

(২) কৰ্ত্তাকাৰক কাক বোলে ? তলত লিখা বাক্য কেইটাৰ কৰ্ত্তা বাছি উলিৱা :—

(ক) হৰিয়ে খৰকৈ লিখিব পাৰে ।

(খ) গৰু আমাৰ বৰ উপকাৰী জন্তু ।

(গ) কুস্তি কৰিলে বল বাঢ়ে ।

(ঘ) নীতি-উপদেশ মনত ৰাখিবা ।

---

৩। কৰ্ম্ম কাৰকঃ—

‘ধনীয়ে ধন উপাৰ্জ্জন কৰিছে ।’

ইয়াত ক্ৰিয়াৰ লগত সম্বন্ধ থকা পদ ‘ধনী’ আৰু ‘ধন’। ‘ধনী’টো কৰ্ত্তাকাৰক, ‘ধনটো কি ? আমি [illegible] ক্ৰিয়াক সুধি চাওঁচোনঃ— ধনীয়ে কি উপাৰ্জ্জন কৰিছে ? উত্তৰ আপুনি আহি ওলাব ‘ধন’। সেইদৰে ‘ৰামে ধান কাটিছে’ ; ৰামটো কৰ্ত্তা, ‘ধান কি সোধচোঁন ? ‘ৰামে কি কাটিছে ?’ তেতিয়া উত্তৰ হব ‘ধান’। এই

নিচিনাকৈ কৰ্ত্তাই যি কৰে, যি দেখে, যি শুনে ইত্যাদিক **কৰ্ম্মকাৰক** বোলে। কৰ্ম্ম অৰ্থ কাম বা কাজ।

যিটো ক্ৰিয়াক 'কাক' বা 'কি' বুলি সুধিলে উত্তৰ নোলায় সেই ক্ৰিয়াৰ কৰ্ম্ম নাই বুলি বুজিব লাগে। যেনে 'হৰি নাচিছে', ইয়াৰ 'নাচিছে' ক্ৰিয়াক যদি সোধা 'কাক নাচিছে'? বা 'কি নাচিছে'? তেন্তে একো উত্তৰ পাবলৈ নাই। এই নিচিনা ক্ৰিয়াক কৰ্ম্ম নথকা ক্ৰিয়া বা **অকৰ্ম্মক ক্ৰিয়া** বোলে। কৰ্ম্ম থকা ক্ৰিয়াক **সকৰ্ম্মক ক্ৰিয়া** বোলে।

প্ৰশ্ন।

তলত লিখা বাক্যকেইটাৰ কৰ্ম্মকাৰক বাছি উলিওৱা :—

(ক) সোৱা, গৰুটোৱে শাকবোৰ খালে।
(খ) বাপাই ব্যাকৰণ পঢ়িছে।
(গ) ৰামে চকি এখন সাজিলে।
(ঘ) কোনোবা লৰাই মোক মাৰিলে।
(ঙ) তুমি ঘৰলৈ যোৱা। (চ) সি ভেম মাৰি গুচি গল।

---

৪। কৰণ কাৰক—

মাধৱে কটাৰীৰে বাঁহটো কাটিলে।

ইয়াত ক্ৰিয়াৰ লগত সম্বন্ধ থকা পদ :— 'মাধৱ', 'কটাৰী' আৰু 'বাঁহ'। আমি আগেয়ে কোৱা মতে 'মাধৱ'-কৰ্ত্তা, 'বাঁহ' কৰ্ম্ম; 'কটাৰীৰে' নো কি?

ক্ৰিয়াৰ লগত 'কটাৰী'ৰ সম্বন্ধ আছে যেতিয়া আমি

তাকো সোধোঁচোন :— (মাধৱে) কিহেৰে কাটিলে ? তেতিয়া ক্ৰিয়াই নিজে আহি কব :—'কটাৰীৰে' ।

সেই নিচিনাকৈ—আমি মৰমেৰে সকলোকে আপোন কৰিব পাৰোঁ ।

ক্ৰিয়াটোক তুমি সোধাচোন :— 'আমি কিহেৰে সকলোকে আপোন কৰিব পাৰোঁ' ? উত্তৰ :— 'মৰমেৰে' ।

এইদৰে **কৰ্ত্তাই যিহৰ সহায়েৰে কাম কৰা বুজায় তাক কৰণ কাৰক** বোলে ।

প্ৰশ্ন ।

১। তলত লিখা বাক্য কেইটাত থকা কৰণ কাৰকবোৰ বাছি উলিওৱা :—
(ক) চৰাইবোৰ পাখৰে উৰি ফুৰে। (খ) কলমেৰে লিখিলোঁ ।
(গ) বঠাৰে নাৱ বালোঁ ।
২। কৰণকাৰক থকা তিন আখৰ কথা কোৱা ।

---

৫। সম্প্ৰদান কাৰক—

'গোপালে মগনীয়াক নিজ হাতেৰে ভিক্ষা দিলে ।'

ইয়াত 'গোপাল,' 'মগনীয়া' 'হাতেৰে' আৰু 'ভিক্ষা' এই চাৰিটা পদৰ লগত 'দিলে' ক্ৰিয়াৰ সম্বন্ধ ; 'গোপাল' 'ভিক্ষা' আৰু 'হাতেৰে' কি কাৰক হব তাক তোমালোকে জানাই। কথা হৈছে 'মগনীয়াক'লৈ বাকু ক্ৰিয়াটোক সোধোঁচোন (গোপালে ভিক্ষা) কাক দিলে ? উত্তৰ— 'মগনীয়াক' ওলাব ।

সেইদৰে :—গুৰুক অৰিহনা দিলোঁ।

ইয়াত 'অৰিহনা' গুৰুক দিয়া বুজাইছে। এই নিচিনাকৈ **যাক কোনো বস্তু একেবাৰে দিয়া যায় বা দিম বোলা যায় তাক সম্প্রদান কাৰক** বোলে।

প্ৰশ্ন।

১। তলত দিয়া বাক্য কেইটাত থকা সম্প্রদান কাৰকবোৰ বাছি উলিওৱা :—

(ক) লৰাক কল দিলোঁ। (খ) মোক তেওঁ পইচা দিলে।

(গ) দুখীয়াক ধন দিম। (ঘ) মংলীয়াক ধান দিছিল।

২। তুমি কোৱা কথা কেই আষাৰৰ পৰা সম্প্রদান কাৰকবোৰ উলিয়াই দেখুওৱা।

---

৬। অপাদান কাৰক—

(১) বাঘৰপৰা ভয় পালোঁ।

(২) গুটিৰপৰা গছ জন্মে।

(৩) গছৰপৰা ফল পৰিল।

ওপৰৰ বাক্য কেইটাৰ ক্রিয়া কেইটাক যদি সোধোঁ :—কাৰপৰা ভয় পালোঁ? ক'ৰপৰা গছ জন্মে? ক'ৰপৰা ফল পৰিল? তেনেহলে ক্রমে উত্তৰ ওলাব—

বাঘৰপৰা, গুটিৰপৰা, গছৰপৰা । এইদৰে যাৰপৰা ভয় পোৱা যায়, জন্ম হয়, বেলেগ হোৱা বুজায়, তাক অপাদান কাৰক বোলে ।

প্ৰশ্ন ।

১। তলত লিখা বাক্য কেইটাৰপৰা অপাদান কাৰক বাছি উলিওৱা :—

(ক) হৰি কলিকতাৰপৰা বিলাতলৈ গল ।
(খ) পঢ়াশালিৰপৰা আহিলোঁ ।
(গ) দুষ্ট লোকৰপৰা ভয় পালোঁ ।

২। অপাদান কাৰক কাক বোলে ? অপাদান কাৰক থকা তিনি আষাৰ কথা কোৱা ।

---

৭। অধিকৰণ কাৰক—

(১) তিলত তেল আছে ।
(২) বাকচত টকা আছে ।
(৩) কিতাপত উপদেশ আছে ।

এতিয়া আমি ওপৰৰ বাক্য তিনটাৰ ক্ৰিয়া তিনটাক যদি সোধোঁ :—'(তেল) কত আছে' ? '(টকা) কত আছে' ? আৰু '(উপদেশ) কত আছে' ? তেনেহলে আমি উত্তৰ পাম :—'তিলত,' 'বাকচত', আৰু 'কিতাপত' । এইদৰে যি কাৰকে ক্ৰিয়াক ধৰে সি অধিকৰণ কাৰক হয় ।

৮। এতিয়া কাৰক কেই বিধ আৰু কি কি কব পাৰা নে ?

প্ৰশ্ন।

১। তলৰ বাক্য কেইটাৰপৰা অধিকৰণ কাৰকবোৰ উলিয়াই দেখুৱা :—

(ক) কলহত পানী আছিল।

(খ) তেওঁৰ কথাত মোৰ বিশ্বাস হল।

(গ) আকাশত জোনায়ে হাঁহিছে।

২। অধিকৰণ কাৰক থকা তিনি আষাৰ কথা কোৱাচোন।

৩। তলত লিখা শব্দবোৰ লগাই অধিকৰণ কাৰক কৰি একোটা বাক্য ৰচনা কৰা :—ফলি, পথাৰ, কিতাপ, মেজ, আৰু ঘটি।

৪। তলত লিখা বাক্যবোৰত থকা কাৰকবোৰ বাছি উলিয়া আৰু কোনটো কি কাৰক হব কোৱা।

(ক) ৰামে কুঠাৰেৰে খৰি ফালিছে।

(খ) ধনীৰামে দুখীয়াক ধন দিলে।

(গ) মই দুলিৰপৰা ধান আনি পথাৰত বুলোঁ।

(ঘ) কলিকতাত জহকালি বৰ জহ।

৫। এই পাঠৰ প্ৰথম প্ৰশ্নমালাত দিয়া কাৰকবোৰৰ কোনটো কি কাৰক কোৱা।

---

## ২৫শ পাঠ—সম্বোধন পদ ।

১। (ক) হেৰা **ককাই** ! তুমি কলৈ যোৱা ?

(খ) **ধনবৰ** ! এই ফালে নাহা নে ?

(গ) হে **প্ৰভু** ! তুমি মোৰ দুখ নেদেখা !

ওপৰৰ বাক্য কেইটাত থকা 'ককাই', 'ধনবৰ' ; আৰু 'প্ৰভু' এই কেইটা শব্দ বিশেষ্য। কিন্তু ইহঁতক মানুহ আৰু দেৱতাক মতাত ব্যৱহাৰ কৰা হৈছে। যদিও ইহঁতৰ কোনো ক্ৰিয়াৰে সৈতে সম্বন্ধ নাই, তথাপি ককাই ইত্যাদি বোলাত কোনো এজন মানুহক মাতা বুজাইছে ।

২। তলৰ বাক্য কেইটালৈ চোৱা ।

( ক ) **মইনা** ! তুমি স্কুললৈ নোযোৱা নে ?

( খ ) হেৰৌ **গৰু** ! তই নাহ নে ?

( গ ) হেৰা **হৰি** ! এইফালে আহাচোঁন ।

এইদৰে **যি পদেৰে কাকো সম্বোধন কৰা যায় অৰ্থাৎ মাতা যায়, তাক সম্বোধন পদ** বোলে ।

প্ৰশ্ন ।

তলত দিয়া বাক্যবোৰৰপৰা সম্বোধন পদবোৰ বাছা :—

১। কলৈ যোৱা, বুঢ়া আপ ? ২। দেউতা, মোক নামাৰিব ।
৩। ৰক্ষা কৰা, হে হৰি !

## ২৬শ পাঠ—সম্বন্ধপদ

**ধনীৰ** চাদৰখন হেৰাল।

ধনী শব্দটো বিশেষ্য পদ। কিন্তু এই বাক্যত 'ধনী' শব্দত 'ৰ' এটা লগাত সি বিশেষ্যপদ হৈও বিশেষ্যৰ কাম নকৰি কেৱল চাদৰৰ লগত ধনীৰ সম্বন্ধ হে দেখুৱাইছে। সেইদৰে :—

(ক) **ধনৰ** মোল নুবুজা লোক টোকোনা হয়।

(খ) **ঈশ্বৰৰ** নামে পাপ দূৰ কৰে।

(গ) **তোমাৰ** আখৰবোৰ ভাল কৰিবা।

(ঘ) **বৰলোকৰ** বৰ সুবিধা।

(ঙ) **পিতা-মাতাৰ** আদেশ সদায় পালন কৰিবা

**এইদৰে যাৰ সৈতে কোনো বস্তু বা প্ৰাণীৰ সম্বন্ধ থাকে তাক সম্বন্ধ পদ বোলে।**

বিশেষ্যপদৰ লগত এটা 'ৰ' যোগ কৰিলেই সম্বন্ধ পদ হয়।

### প্ৰশ্ন।

সম্বন্ধপদবোৰ বাছা :—

১। ঈশ্বৰৰ চৰণত মোৰ ভক্তি হক।

২। ধোবাৰ গাধই কাপোৰৰ বোজা বয়।

## ২৫শ পাঠ—সম্বোধন পদ ।

১। (ক) হেৰা ককাই ! তুমি কলৈ যোৱা ?

(খ) ধনবৰ ! এই ফালে নাহা নে ?

(গ) হে প্ৰভু ! তুমি মোৰ দুখ নেদেখা !

ওপৰৰ বাক্য কেইটাত থকা 'ককাই', 'ধনবৰ' ; আৰু 'প্ৰভু' এই কেইটা শব্দ বিশেষ্য। কিন্তু ইহঁতক মানুহ আৰু দেৱতাক মতাত ব্যৱহাৰ কৰা হৈছে। যদিও ইহঁতৰ কোনো ক্ৰিয়াৰে সৈতে সম্বন্ধ নাই, তথাপি ককাই ইত্যাদি বোলাত কোনো এজন মানুহক মাতা বুজাইছে।

২। তলৰ বাক্য কেইটালৈ চোৱা।

(ক) মইনা ! তুমি স্কুললৈ নোযোৱা নে ?

(খ) হেৰৌ গৰু ! তই নাহ নে ?

(গ) হেৰা হৰি ! এইফালে আহাচোন।

এইদৰে যি পদেৰে কাকো সম্বোধন কৰা যায় অৰ্থাৎ মাতা যায়, তাক সম্বোধন পদ বোলে।

প্ৰশ্ন।

তলত দিয়া বাক্যবোৰৰপৰা সম্বোধন পদবোৰ বাছা :—

১। কলৈ যোৱা, বুঢ়া আপ ? ২। দেউতা, মোক নামাৰিব। ৩। ৰক্ষা কৰা, হে হৰি !

---

## ২৬শ পাঠ—সম্বন্ধপদ

ধনীৰ চাদৰখন হেৰাল।

ধনী শব্দটো বিশেষ্য পদ। কিন্তু এই বাক্যত 'ধনী' শব্দত 'ৰ' এটা লগাত সি বিশেষ্যপদ হৈও বিশেষ্যৰ কাম নকৰি কেৱল চাদৰৰ লগত ধনীৰ সম্বন্ধ হে দেখুৱাইছে। সেইদৰে :—

(ক) ধনৰ মোল নুবুজা লোক টোকোনা হয়।

(খ) ঈশ্বৰৰ নামে পাপ দূৰ কৰে।

(গ) তোমাৰ আখৰবোৰ ভাল কৰিবা।

(ঘ) বৰলোকৰ বৰ সুবিধা।

(ঙ) পিতা-মাতাৰ আদেশ সদায় পালন কৰিবা

এইদৰে যাৰ লৈতে কোনো বস্তু বা প্ৰাণীৰ সম্বন্ধ থাকে তাক সম্বন্ধ পদ বোলে।

বিশেষ্যপদৰ লগত এটা 'ৰ' যোগ কৰিলেই সম্বন্ধ পদ হয়।

প্ৰশ্ন।

সম্বন্ধপদবোৰ বাছা :—

১। ঈশ্বৰৰ চৰণত মোৰ ভক্তি হক।

২। ধোবাৰ গাধই কাপোৰৰ বোজা বয়।

## ২৭শৰ পৰা ৩০শ পাঠ—পদ-পৰিচয় ।

১। ইয়াৰ আগৰ পাঠলৈকে আমি সচৰাচৰ কোৱা কথাবোৰ সংক্ষেপে আলোচনা কৰা হল।

আমি আদিৰেপৰা দেখি আহিছোঁ, বাক্যবোৰৰ ভিতৰত থকা প্ৰতিটো পদ পৰস্পৰ সম্বন্ধ থকা; বাক্যৰ ভিতৰত এনে এটা শব্দ আমি এতিয়ালৈ পোৱা নাই যাৰ আন শব্দৰ লগত অলপো সম্বন্ধ নাই। বাক্যৰ ভিতৰত থকা পদবোৰৰ এটাৰ লগত আনটোৰ কি সম্বন্ধ তাক ঠিক কৰাকেই **পদ-পৰিচয়** বা **পদান্বয়** কৰা বোলে।

২ বিশেষ্য পদৰ পৰিচয় দিবলৈ হলে—

কি বিশেষ্য, কোন লিঙ্গ, কোন বচন, কি পুৰুষ, কি কাৰক—এই কেইটা কথা বিচাৰি উলিয়াব লাগে; কাৰকৰ কোন ক্ৰিয়াৰ লগত যোগ আছে তাক দেখুৱাব লাগে। সম্বন্ধ পদ হলে, কোন পদৰ লগত সম্বন্ধ তাক উল্লেখ কৰিব লাগে।

৩। বিশেষণ পদৰ পৰিচয় দিবলৈ হলে—

কি বিশেষণ, আৰু কাক বিশেষ কৰিছে কব লাগে।

৪। সৰ্ব্বনাম পদৰ পৰিচয় দিবলৈ হলে—

যাৰ সলনি এই সৰ্ব্বনাম বহিছে তাক কব লাগে। যাৰ সলনি সৰ্ব্বনাম বহিছে সেই শব্দৰ লিঙ্গ, বচন, পুৰুষ অনুসৰি সৰ্ব্বনামৰ লিঙ্গ, বচন, পুৰুষ হয়— তাকো, কবা। পাচত যি কাৰক হয় তাক কৈ কোন ক্রিয়াৰ লগত মিল তাক দেখুৱাবা।

৫। অব্যয় পদৰ চিনাকি দিবলৈ হলে—

কি অৰ্থে ব্যৱহাৰ হৈ, কি কৰিছে দেখুৱাব লাগে।

৬। ক্রিয়াপদৰ পৰিচয় দিবলৈ হলে—

ক্রিয়াৰ প্রকাৰ, কাল, বচন আৰু সেই ক্রিয়াৰ কৰ্ত্তা দেখুৱাবা লাগে; সকৰ্ম্মক ক্রিয়াৰ কৰ্ম্মও দেখুৱাবা লাগে।

৭। সম্বোধন পদ হলে—

কেৱল সম্বোধন পদ বুলিয়েই কব লাগে।

৮। (ক) **উপপদ** বিশেষ্য আৰু সৰ্ব্বনামৰ লগত একেলগে অন্বয় কৰা হয়।

(খ) **অনুকাৰ, অনুৰূপ** সম্বোধন পদৰ দৰেই।

## প্রশ্ন।

১। পদান্বয় কাক বোলে?

২। তলত লিখা বাক্যটিৰ প্রত্যেকটো শব্দৰ পদান্বয় কৰা:—

ৰামে কোনো এটা বিষয় পঢ়াৰ পাচত সেই বিষয়ে ভাবি চায়।

# চতুৰ্থ অধ্যায়।

## ৩১শৰ পৰা ৩৩শ পাঠ—সন্ধি।

আমি কথা কওঁতে যিবোৰ শব্দ ব্যৱহাৰ কৰোঁ সেইবোৰৰ দুটা তিনটা শব্দ কেতিয়াবা একেলগে জোৰা লগাই কওঁ; যেনে:—'দেৱ আলয়' নকৈ 'দেৱালয়' কওঁ, 'মহা ইন্দ্ৰ' নকৈ 'মহেন্দ্ৰ' কওঁ, 'স্ব ইচ্ছা আচাৰ' নকৈ 'স্বেচ্ছাচাৰ' কওঁ। জোৰা লগা শব্দবোৰ এনেদৰে মিলি যায় যে তাক এটা শব্দ যেন দেখি। এইদৰে শব্দ জোৰা লগাকে **সন্ধি** বোলে। জোৰা কেনেকৈ লাগে তোমালোকক দেখুৱাওঁ, চোৱা:—

দেৱ+আলয়=দেৱালয়।

ইয়াত 'আলয়'ৰ 'আ' লোপ হৈ 'ৱ'টো[illegible] আকাৰ এটা যোগ হৈছে; কেনেকৈ নো 'আ' [illegible] পালে আৰু আকাৰ যোগ হল চাওঁহঁক—

দ্+এ+ৱ্+অ, মিলি 'দেৱ' হৈছে।

আ+ল্+অ+য়+অ মিলি 'আলয়' হৈছে।

তেনেহলে 'দেৱ' শব্দৰ পাছত থকা অ আৰু 'আলয়'

শব্দৰ আগত থকা অ এই দুটা মিলি আ হৈ আকাৰ ভাৱে 'দেৱ' শব্দৰ 'ৱ'ত যোগ হৈছে আৰু পাচৰ 'আলয়' শব্দৰ আদি আখৰ 'আ' লোপ হৈ গৈছে; তেনেহলে আমি পালোঁ :— সন্ধি আগৰ শব্দৰ পাচৰ আখৰ আৰু পাচৰ শব্দৰ আগৰ আখৰত হে হয়; যদি এই আখৰ দুটা স্বৰ হয়, তেনেহলে তাক **স্বৰ সন্ধি** বোলে ; আৰু এই আখৰ দুটা বা কোনো এটা ব্যঞ্জন হলে, **ব্যঞ্জন সন্ধি** নাম পায়। তোমালোকৰ আগত কেইটামান স্বৰ সন্ধিৰ হে কথা কম।

১। বিদ্যা + আলয় = বিদ্যালয়।

বিদ্যা = ব্ + ই + দ্ + য্ + আ

আলয় = আ + ল্ + অ + য্ + অ

আ + আ = া

দেৱ + আলয় = দেৱালয়।

দেৱ = দ্ + এ + ৱ্ + অ

আলয় = আ + ল্ + অ + য্ + অ

অ + আ = া

এতেকে আ ৰ পাচত আ বা অ ৰ পাচত আ থাকিলে আ (া) হয়; আকাৰ আগৰ শব্দৰ শেষ আখৰত যোগ হয়। যেনে :— কাৰা + আগাৰ = কাৰাগাৰ ; মহা + আশয় = মহাশয়।

২। গণ + ঈশ = গণেশ।

গণ = গ্ + অ + ণ্ + অ

ঈশ = ঈ + শ্ + অ

অ + ঈ = এ [ ে ]
যথা + ইষ্ট = যথেষ্ট ।
যথা = য্ + অ + থ্ + আ
ইষ্ট = ই + ষ্ + ট্ + অ
আ + ই = এ [ ে ]

এতেকে অ বা আ ৰ পাচত ই বা ঈ থাকিলে এ ( ে ) হয়; একাৰ আগৰ শব্দৰ পাচৰ আখৰত যোগ হয়; যেনে :— ৰমা + ঈশ = ৰমেশ; দেৱ + ইন্দ্ৰ = দেৱেন্দ্ৰ; মহা + ইন্দ্ৰ = মহেন্দ্ৰ ।

৩। চন্দ্ৰ + উদয় = চন্দ্ৰোদয় ।
চন্দ্ৰ = চ্ + অ + ন্ + দ্ + ৰ্ + অ
উদয় = উ + দ্ + অ + য্ + অ
অ + উ = ও ( ো )
মহা + ঊৰ্ম্মি = মহোৰ্ম্মি ।
মহা = ম্ + অ + হ্ + আ
ঊৰ্ম্মি = ঊ + ৰ্ + ম্ + ম্ + ই
আ + ঊ = ও ( ো )

সুতৰাং, অ বা আ ৰ পাচত উ বা ঊ থাকিলে দুয়ো মিলি ও ( ো ) হয়; ওকাৰ আগৰ শব্দৰ পাচৰ আখৰত যোগ হয়; যেনে :— পুৰুষ + উত্তম = পুৰুষোত্তম; বিদ্যা + উদয় = বিদ্যোদয় ।

৪। দেৱ + ঋষি = দেৱৰ্ষি ।
দেৱ = দ্ + এ + ৱ্ + অ
ঋষি = ঋ + ষ্ + ই

আ+ঋ=ৰ ( ´ )
ৰাজা+ঋষি=ৰাজৰ্ষি।
ৰাজা=ৰ্+আ+জ্+আ
ঋষি=ঋ+ষ্+ই
অ+ঋ=ৰ ( ´ )

এতেকে অ বা আ ৰ পাচত ঋ থাকিলে দুয়ো মিলি ৰ (অৰ্) হয়; আৰু ৰকাৰৰ পাচত থকা আখৰত ৰেফ ( ´ ) যুক্ত হয়; যেনে :—মহা+ঋষি= মহৰ্ষি।

৫। এক+এক=একৈক।
এক=এ+ক্+অ
এক=এ+ক্+অ
অ+এ=ঐ ( ৈ )
মহা+ঐৰাৱত=মহৈৰাৱত।
মহা=ম্+অ+হ্+আ
ঐৰাৱত=ঐ+ৰ্+আ+ৱ্+অ+ত্+অ
আ+ঐ=ঐ ( ৈ )

সুতৰাং অ বা আ ৰ পাচত এ বা ঐ থাকিলে দুয়ো মিলি ঐ ( ঐ ) হয়; ঐকাৰ আগৰ শব্দৰ পাচৰ আখৰত যোগ হয়; যেনে :—যথা+এব=যথৈব, জন+এক=জনৈক।

৬। মহা+ঔষধ=মহৌষধ।
মহা=ম্+অ+হ্+আ
ঔষধ=ঔ+ষ্+অ+ধ্+অ
আ+ঔ=ঔ ( ৌ )
বৰ+ওজা=বৰৌজা।

জল = জ্ + অ + ল্ + অ

ওঘ = ও + ঘ্ + অ

অ + ও = ঔ (ৌ)

অতএব অ বা আ ৰ পাছত ও বা ঔ থাকিলে দুয়ো মিলি ঔ (ৌ) হয় ; ঔকাৰ আগৰ শব্দৰ পাছৰ আখৰত যোগ হয় ; যেনে :— ভৱ + ঔষধ = ভৱৌষধ ; জল + ওঘ = জলৌঘ ।

৭। প্ৰতি + অহ = প্ৰত্যহ ।

প্ৰতি = প্ + ৰ্ + অ + ত্ + ই

অহ = অ + হ্ + অ

ই + অ = য (j)

অতি + অন্ত = অত্যন্ত ।

অতি = অ + ত্ + ই

অন্ত = অ + ন্ + ত্ + অ

ই + অ = য (j)

এতেকে ই বা ঈ ৰ পাছত ই, ঈ ৰ বাহিৰে আন স্বৰ থাকিলে য (j) হয় ; যকাৰ আগৰ শব্দৰ শেষ আখৰত যুক্ত হয় ; যেনে :— নদী + অম্বু = নদ্যম্বু ; ভূমি + অধিকাৰ = ভূম্যধিকাৰ ।

৮। অনু + এষণ = অন্বেষণ ।

অনু = অ + ন্ + উ

এষণ = এ + ষ্ + অ + ণ্ + অ

উ + এ = ৱ্ + এ

এতেকে উ বা ঊৰ পাছত উ, ঊ ভিন্ন স্বৰ থাকিলে উ বা ঊ ৰ ঠাইত ৱ্ হয় । সেইদৰে :—

অনু + অয় = অন্বয় ; সু + আগত = স্বাগত ।

৯। ভৌ + উক = ভাবুক।

ভৌ = ভ্ + ঔ

উক = উ + ক্ + অ

ঔ + উ = আৱ্ + উ

পৌ + অক = পাৱক।

পৌ = প্ + ঔ

অক = অ + ক্ + অ

ঔ + অ = আৱ্ + অ

অতএব স্বৰবৰ্ণ পাচত থাকিলে ওৰ ঠাইত অৱ্ আৰু ঔৰ ঠাইত আৱ্ হয়; যেনে:— ভো + অন = ভৱন; পৌ + অন = পাৱন।

১০। শে + অন = শয়ন

শে = শ্ + এ

অন = অ + ন্ + অ

এ + অ = অয়

গৈ + অক = গায়ক।

গৈ = গ্ + ঐ

অক = অ + ক্ + অ

ঐ + অ + আয়

এতেকে এ বা ঐৰ পাচত স্বৰবৰ্ণৰ আখৰ থাকিলে এৰ ঠাইত অয়্ আৰু ঐৰ ঠাইত আয়্ হয়; যেনে:— নে + অন = নয়ন; নৈ + অক = নায়ক।

প্ৰশ্ন।

১। সন্ধি কাক বোলে আৰু সি কেই প্ৰকাৰ?

২। তলত দিয়া সন্ধিবোৰ ভাঙি দেখুৱা:—

পাঠাগাৰ, নৰেন্দ্ৰ, চন্দ্ৰোদয়, অন্বেষণ আৰু দেৱৰ্ষি।

৩। তলত দিয়া শব্দবোৰ সন্ধি কৰা আৰু তাৰ কাৰণ দেখুৱা :—
ধন+ঈশ ; নদী+অম্বু ; আৰু স্ব+ইচ্ছা+আচাৰ।

৪। সন্ধি কৰাৰ কাৰণ কি ?

৫। শব্দৰ কোন ঠাইত সন্ধি হয় ?

# ৩৪শ আৰু ৩৫শ পাঠ—বৰ্ণবিচাৰ।

১। আমি যিবোৰ শব্দ মুখেৰে কওঁ সেই শব্দবোৰ যেই সেই আখৰেৰে লিখিলে শুদ্ধ নহয়। আখৰবোৰৰ উচ্চাৰণ আছে; আমি শব্দ মাতোঁতে যিবোৰ আখৰ উচ্চাৰণ কৰোঁ, সেই আখৰেৰে শব্দ লিখিলেহে লিখা শুদ্ধ হয়। আকৌ শুনিবলৈ একে শব্দকে বেলেগ বেলেগ আখৰেৰে লিখিলে বেলেগ বেলেগ অৰ্থ হয়। যেনে— **পাণ** আৰু **পান**। পাণ অৰ্থ তামোলৰ লগত খোৱা পাণ আৰু পান অৰ্থ পী খোৱা কাজ। সেই দেখি শব্দবোৰ নো কেনেকৈ লিখিব লাগে তাক আমি জনা উচিত। ইয়াৰ কিছুমান সঙ্কেত আছে। তাৰে তলত কেইটামান দিয়া হল।

২। (১) ঋ, ৰ আৰু ষ ইহঁতৰ পাচত ণ হয়। যেনে—ঋণ, তৃণ, বৰ্ণ, কাৰণ, কৃষাণ, ভূষণ ইত্যাদি।

(ক) ওপৰৰ আখৰ তিনটাৰ কোনো এটাৰ পাচত স্বৰবৰ্ণ, ক, খ, গ, ঘ, ঙ, প, ফ, ব, ভ, ম আৰু য, ৰ, হ এই কেইটা আখৰ থাকিলেও তাৰ পাচত ণ হয়। যেনে—দৰ্পণ, গ্ৰহণ, নাৰায়ণ, কৃপণ, পৰায়ণ ইত্যাদি।

(২) ট, ঠ, ড, ঢ আৰু ণৰ লগত কেৱল ণহে যুক্ত হয়। যেনে— কণ্টক, চণ্ডাল, পিণ্ড। আৰু ত, থ, দ ধ, নৰে মিলে নহে। যেনে—কান্তি, নিন্দা,

বন্ধ ইত্যাদি।

৩। (১) অ, আ ভিন্ন স্বৰবৰ্ণ আৰু ৰ ক পাচত ষ হয়। যেনে—ভূষণ, ঈর্ষা ইত্যাদি।

(২) চ আৰু ছ কেৱল 'শ'ৰ লগতে যুক্ত হয়। যেনে—নিশ্চিন্ত, নিশ্চয়, শিৰশ্ছেদ, ।

(৩) ট, ঠ, ণ ৰ লগত ষ আৰু ত, থ, ন ৰ লগতে স যুক্ত হয়। যেনে—কষ্ট, নিবিষ্ট, নিষ্ঠা, কৃষ্ণ, বিষ্ণু পুস্তক, সংস্থান, কুৎস্ন, জ্যোৎস্না ইত্যাদি।

৪। (৪) স্ত্রীলিঙ্গৰ ঈকাৰান্ত শব্দবোৰত প্ৰায়েই ী কাৰ হয়। যেনে—নদী, খুৰী, মাহী পেহী, ইত্যাদি।

(২) নিষেধসূচক ন অব্যয় যি শব্দৰ আগত বহে তাৰ অনুৰূপ আকাৰ লয়। যেনে—নকৰোঁ, নাযায়, নিকিনিবা, নোবোলোঁ। কেতিয়াবা কেতিয়াবা ব্যতিক্ৰম হয়। যেনে— নেথাওঁ।

~~১৬০৭/অ:~~ ৪১৫৮/অ:

সমাপ্ত

Printed by Protap Chandra Talukdar at THE ART PRESS, GAUHATI.

## জাননী।

তলত উল্লেখ কৰা কিতাপবোৰ আমাৰ ওচৰত উপযুক্ত কমিচনত পাব; কিন্তু ৫৲ টকাৰ কমে কমিচন নাই। আৰু এটকাৰ কমে ভি, পি কৰা নহয়। এজেণ্টৰ কথা সুকীয়া। ডাক মাচুল গ্ৰাহকৰ পৰা লোৱা হয়। ইতি

| | | | |
|---|---|---|---|
| ময়না | ১।০ | যাদৱ গণিত ১ম | ।০ |
| শিক্ষাবিচাৰ | ১৲ | ঐ ২য় | ॥০ |
| পৰীক্ষা | ।০ | ঐ ৩য় | ।০ |
| শ্ৰীচৈতন্যদেৱ | ৸০ | ঐ ৪ৰ্থ | ১।০ |
| আকাশ ৰহস্য | ৸০ | আসাম বুৰঞ্জী পাঠ | ॥৵০ |
| ওৰেগণাৰ সাধু | ১৲ | উজু মৌখিক | ৶০ |
| ৰহস্য কাহিনী | ১৲ | গণনা শিক্ষা | /৬ |
| বছা ফুল | ।/০ | শিশুপাঠ ১ম | ৵০ |
| প্ৰেমপট্ | ৶০ | ঐ ২য় | ৵০ |
| কাৰবালা | ।৵০ | পদ্যাৱলী | ॥০ |
| সৰ্ব্বজান | ॥০ | মুৰলী | ॥৵০ |
| ৰবীন্দ্ৰনাথ ঠাকুৰ | ।০ | সাৰথি | ॥৶০ |
| পঞ্চৰত্ন | ।/০ | শুভঙ্কৰী মৌখিক | ।৵০ |
| নীতিশ্লোক | ৶০ | ৰচনা প্ৰণালী | ।০ |
| মালিকা | ।০ | অসমীয়া এক, এ, কোৰ্চ | ।০ |
| বেউলা | ।/০ | ব্যাকৰণ পাঠ | ।০ |
| মুকুল | ।০ | মহাসমৰ | ॥৵০ |
| ধুৰ্লিকুৰ্লী | ৸০ | | |

**বৰুৱা এজেন্সী**

দীঘলী পুখুৰীপাৰ, গুৱাহাটী।